সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,৩৬ সংখ্যা,২১ ভাদ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 36 Date of Publication- 7 September 2025 Rs. 10.00/-

## চলিত বৰ্ষত অসমে ৮.০২ লাখ মেট্ৰিক টনতকৈ অধিক ধান ক্ৰয় কৰিছে ঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে অসমে ধান ক্ৰয়ৰ ক্ষেত্ৰত এক নতুন মাইলৰ খুঁটি অৰ্জন কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ্য কৰি কয় যে ২০২৫ বৰ্ষত প্ৰথমবাৰৰ বাবে অসমে ন্যূনতম সমৰ্থিত মূল্যৰ জৰিয়তে ৮.০২ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ্য কৰে যে- ধান ক্ৰয়ৰ এই অভিলাষে অসমৰ কৃষিখণ্ডৰ অগ্ৰগতি আৰু সমৃদ্ধিৰ প্ৰতিফলন ঘটাইছে। এয়া কৃষক আৰু ৰাজ্যৰ বাবে এক গৌৰৱ আৰু ঐতিহাসিক কৃতিত্ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ধান ক্ৰয়ৰ পৰিসংখ্যা দাঙি ধৰি উল্লেখ কৰা অনুসৰি প্ৰথম পৰ্যায়ত ৭ লাখ মেট্ৰিক টন, দ্বিতীয় পৰ্যায়ত ১ লাখ মেট্ৰিক টনৰো অধিক ধান ক্ৰয়ৰ জৰিয়তে চলিত বৰ্ষৰ ৫ ছেপ্টেম্বৰ পৰ্যন্ত ৮.০২ লাখ মেট্ৰিক টনতকৈ ( দুই পৃষ্ঠাত চাওক)

## কা'ৰ অধীনত নাগৰিকত্বৰ আবেদনৰ সময়সীমাৰ ম্যাদ বৃদ্ধিক প্ৰত্যাহ্বান জনাব অগপই




ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইনৰ অধীনত আবেদনৰ সময়সীমাৰ ম্যাদ বৃদ্ধি কৰা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম গণ পৰিষদ দলে শনিবাৰে আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত এখন সংবাদ মেল সম্বোধন কৰে। কেন্দ্ৰই জাৰি কৰা The Emigra-tion and For-eigners Examtion Or-derৰ বিৰোধিতা কৰি অগপৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে কয় যে এই নিৰ্দেশনাই অসম চুক্তিক অৱমাননা কৰিব। অগপ দলে অসম চুক্তিৰ ক্ষেত্ৰত কোনোদিনে আপোচ কৰা নাই আৰু নকৰে। এই নিৰ্দেশনাৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক সামৰি লোৱা বিষয়টোত অসন্তুষ্টি প্ৰকাশ কৰি অগপ দলে স্থিতি স্পষ্ট কৰে যে এনডিএৰ ( দুই পৃষ্ঠাত চাওক)

## ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ ৭৯০ পৃষ্ঠাৰ চাৰ্জশ্বীট দাখিল মেঘালয় আৰক্ষীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ দেশ তোলপাৰ কৰা ইন্দোৰৰ ট্ৰেন্সপৰ্ট ব্যৱসায়ী ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ডৰ ৭৯০ পৃষ্ঠাজোৰা চাৰ্জশ্বীট দাখিল কৰিছে মেঘালয় আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী গোট (এছআইটি)-এ। চোহৰাৰ ন্যায়িক দণ্ডাধীশৰ আদালতত দাখিল কৰা চাৰ্জশ্বীটত হত্যাকাণ্ডটোৰ মূল অভিযুক্ত হিচাপে আৰক্ষীয়ে ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ মূল অভিযুক্ত হিচাপে সোনম ৰঘুবংশী, ৰাজ কুশৱাহা, বিশাল সিং চৌহান, আশীষ সিং ৰাজপুত আৰু আনন্দ কুৰ্মীৰ নাম উল্লেখ কৰিছে। (দহ পৃষ্ঠাত চাওক)

## ভাৰতৰ কঠোৰ স্থিতিত সুৰ সলনি ট্ৰাম্পৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাক লৈ ভাৰতৰ বিৰুদ্ধে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অতিৰিক্ত শুল্ক ৫০ শতাংশ আৰোপ কৰাক লৈ ভাৰত-মাৰ্কিন সম্পৰ্কত অৱনতি ঘটাই নহয়, ঘনিষ্ঠ বন্ধু আখ্যায়িত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও বন্ধুত্ব তিক্ততাপূৰ্ণ হৈ পৰে। মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে আৰোপ কৰা অতিৰিক্ত ৫০ শতাংশ শুল্কক আওকাণ কৰি পূৰ্বৰ দৰেই ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰাকে ধৰি সম্পৰ্কক আৰু অধিক শক্তিশালী (দহ পৃষ্ঠাত চাওক)

## পৰিয়ালসহ গুৱাহাটীত উপস্থিত ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা



ৰঙিলী বাৰ্ত্তাসেৱা- ৮ ছেপ্টেম্বৰত ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী। বছৰজোৰা কাৰ্যসূচীৰে চলিছে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী আয়োজনৰ প্ৰস্তুতি। জন্ম শতবাৰ্ষিকী উদযাপনক লৈ চলা প্ৰস্তুতিৰ মাজতে অনুষ্ঠানত অংশগ্ৰহণৰ বাবে সুদূৰ আমেৰিকাৰ পৰা অসমত উপস্থিত হ'ল পুত্ৰ তেজ ( দুই পৃষ্ঠাত চাওক)

## বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ দ্বিতীয় ৰাউণ্ডতে পৰাস্ত লাভলীনা



ৰঙিলী বাৰ্ত্তাসেৱা- ইংলেণ্ডৰ লিভাৰপুলত পূৰ্ণগতিত চলি থকা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ দ্বিতীয় ৰাউণ্ডৰ পৰাই বিদায় মাগিলে অসম কন্যা লাভলীনা বৰগোহাঁয়ে। প্ৰতিযোগিতাখনৰ প্ৰথম ৰাউত বাই হিচাপে লাভ কৰা লাভলীনাই দ্বিতীয় ৰাউণ্ডৰ মেচখনত তুৰস্কৰ বুশ্বৰা ইছলিদাৰৰ হাতত শোচনীয়ভাৱে ৫-০ৰ ব্যৱধানত পৰাজিত হয়। প্ৰতিযোগিতাখনৰ ৭৫ কেজি শাখাত অংশগ্ৰহণ কৰা লাভলীনাই তুৰস্কৰ প্ৰতিদ্বন্দ্বীগৰাকীৰ হাতত সহজেই আত্মসমৰ্পণ কৰে। ( দুই পৃষ্ঠাত চাওক)




# ডিব্ৰুগড়ৰ বেবেজীয়াত ট্ৰাষ্ট ফ'ৰ হিউমিনিটিৰ উদ্যোগত নেচনেল পাব্লিক স্কুলৰ আধাৰশিলা স্থাপন

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ উপকণ্ঠ অঞ্চল বেবেজীয়াত 'ট্ৰাষ্ট ফ'ৰ হিউমিনিটি' নামৰ সংস্থাটিৰ উদ্যোগত বেবেজীয়া অঞ্চলত এগন নেচনেল পাব্লিক স্কুলৰ আধাৰশিলা স্থাপন কৰা হয় শিক্ষক দিৱসৰ দিনা। চি-বি-এচ-ই পাঠ্যক্ৰমৰ নাৰ্চাৰীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে শিক্ষাদান কৰিবলগীয়া এই অঞ্চলত এখন আগশাৰীৰ স্কুল স্থাপন হোৱাত বেবেজীয়া অঞ্চলৰ ৰাইজে আনন্দ প্ৰকাশ কৰে। আধাৰশিলা স্থাপনৰ আৰম্ভনিতে কোৰাণ পাঠ আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ এফাকি বৰগীত-ভক্তি প্ৰসঙ্গ পাঠ কৰা হয়। সভাত অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ সেৱক ধীৰেন চন্দ্ৰ মৰাণে আবেগেৰে কয় যে স্বাধীনতাৰ আঠসত্তৰ বছৰ পাছতো এই বেবেজীয়া গ্ৰামাঞ্চলত এখন আগশাৰীৰ স্কুল স্থাপন নহল আৰু এই অঞ্চলত এখন স্কুলৰ আধাৰশিলা স্থাপন হোৱাত অঞ্চলবাসী সন্তোষ প্ৰকাশ কৰে আৰু ভৱিষ্যতে ই আশাৰ বতৰা কঢ়িয়াই আনিব বুলি কয়। বিশিষ্ট সমাজ কৰ্মী তথা বাগ্মীবৰ নীলমণি ফুকন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চেহিৰ আহমেদে সভাপতিত্ব কৰা সভাত উপস্থিত গাওঁ প্ৰধানৰ সদস্যা ববিতা গগৈ শইকীয়া, জাপি সজীয়া গাওঁৰ গাওঁপ্ৰধান সঞ্জীৱ দাস, অৱসৰপ্ৰাপ্ত গাওঁ প্ৰধান সমাজ কৰ্মী ত্ৰিদিৱ শইকীয়া, উপায়ুক্ত কাৰ্য্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হৰেণ দাস, সমাজ কৰ্মী কপুল মৰাণ, নিউজ লাইফৰ ডিব্ৰুগড়ৰ সংবাদদাতা সুৰুজ দত্ত, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ উপ-পঞ্জীয়ক আলহাজ জেহিৰ উদ্দিন আহমেদ, সমাজ সেৱক অৰ্পনা বৰা, লেখিকা গৌৰিকা বৰুৱা আহমেদ, সমাজকৰ্মী- সাংবাদিক এম হাছিম আলী, সমাজ কৰ্মী গাওঁ প্ৰধান ৰাকেশ ৰাউত, নৌছাদ আদি আহমেদ আদি। সমাজকৰ্মী ইমৰাণ হুছেইনে আঁত ধৰা সভাত প্ৰস্তাৱনা পাঠ কৰে ট্ৰাষ্টৰ সম্পাদক আলহজ মুহিবুল হুছেইনে ট্ৰাষ্টৰ উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে সভাক অৱগত কৰে ট্ৰাষ্টৰ প্ৰতিষ্ঠাপক আলহজ ইমতিয়াজ আহমদে। শলাগৰ শৰাই আগবঢ়ায় ট্ৰাষ্টৰ উপ-সভাপতি আলহজ ৰফিক আহমেদে। সভাৰ অন্তত সমূহ উপস্থিত ৰাইজৰ সাক্ষাতত আধাৰ শিলা স্থাপন কৰে অঞ্চলটোৰ উপস্থিত ৰাইজে। অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি নাৰীকণ্ঠ, সমাজ সেৱিকা অৰ্পনা বৰাই আগবঢ়োৱা এটি বকুল পুলি ৰোপন কৰা হয়।

# চলিত বৰ্ষত অসমে

অধিক ধান ক্ৰয় কৰিছেৰাজ্য চৰকাৰে। আনহাতে ৰাজ্য চৰকাৰে বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা এক বিশ্বমানৰ সংগ্ৰহালয় নিৰ্মাণক লৈ প্ৰাৰম্ভিক পদক্ষেপ আগবঢ়াইছে। এই সন্দৰ্ভতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জেএছডব্লিউৰ অধ্যক্ষা সংগীতা জিন্দালৰ সৈতে এক আলোচনাত মিলিত হয়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথা প্ৰকাশ কৰি উল্লেখ কৰিছে- অসমৰ সাংস্কৃতিক ঐতিহ্যৰ দিশত এক ঐতিহাসিক খোজৰ বাবে আমি প্ৰস্তুতি চলাইছোঁ। আমাৰ বাবে অমূল্য বৃন্দাবনী বস্ত্ৰখন ৰখাৰ কাৰণে গুৱাহাটীত এক বিশ্বমানৰ সংগ্ৰহালয় নিৰ্মাণ সন্দৰ্ভত জেএছডব্লিউৰ অধ্যক্ষা সংগীতা জিন্দালৰ সৈতে এক বিতং আলোচনাত মিলিত হৈছিলোঁ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সময়ত বৈ উলিওৱা এই অসাধাৰণ বস্ত্ৰখন শ্ৰেষ্ঠত্বৰ উত্তম নিদৰ্শন। ২০২৭ চনত অমূল্য সম্পদভাগী বিশেষ নিয়মসাপেক্ষে অসমলৈ অনা হ'ব। ইয়াৰ মহৎ ঐতিহ্যিক সন্মান জনোৱাৰ বাবে জেএছডব্লিউ-এ ব্ৰিটিছ সংগ্ৰহালয়ৰ নিৰ্দিষ্ট বিৱৰণ অনুসৰি বিশ্বব্যাপী মানযুক্ত গুৱাহাটীত এক অত্যাধুনিক সংগ্ৰহালয় নিৰ্মাণ কৰিব।

# কা'ৰ অধীনত নাগৰিকত্বৰ

অংশীদাৰ হ'লেও এই নিৰ্দেশনাক অগপই সমৰ্থন নকৰে। অগপই পূৰ্বৰ 'কেব' আৰু বৰ্তমানৰ 'কা' প্ৰথমাৱস্থাৰ পৰাই বিৰোধিতা কৰি আহিছে। তদুপৰি, দেশৰ অন্যান্য দলসমূহকো 'কা'ৰ বিৰোধিতা কৰাৰ বাবে সমৰ্থন বিচাৰিছিল অগপই। অগপই 'কা' আইনক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত গোচৰ তৰিছিল। অগপৰ লেখ আবেদনৰ বাবেইসৰ্বোচ্চন্যায়ালয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে সুকীয়া শুনানিৰ নিৰ্দেশনা দিছিল। তেনেস্থলত কেন্দ্ৰৰ শেহতীয়া নিৰ্দেশনাক প্ৰত্যাহ্বান জনাই পুনৰ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিব অগপই। অসম চুক্তিক নস্যাৎ কৰাৰ বিৰোধিতাৰে যিকোনো প্ৰত্যাহ্বান গ্ৰহণ কৰি আইনী যুঁজ চলাই যাব বুলি আজিৰ সংবাদমেলত স্পষ্ট কৰে অগপই। আজিৰ সংবাদ মেলত অগপৰ উপ-সভাপতি ড° জয়নাথ শৰ্মা, সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ড° তপন দাস, সুনীল ভেকা, সম্পাদক কিশোৰ দেউৰী, প্ৰচাৰ সম্পাদক অংশুমান দত্ত, অসম যুৱ পৰিষদৰ সভাপতি জিতু বৰগোহাঁই আৰু কাৰ্যকৰী সভাপতি হৃষিকেশ শৰ্মা উপস্থিত থাকে।

# বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ

ইছলিদাৰে প্ৰথমৰ পৰাই আক্ৰমণাত্মক পালেৰে লাভলীনাক চাপত ৰাখিছিল। মেচখনৰ প্ৰথম ৰাউণ্ডত লাভলীনাই কিছু প্ৰত্যাহ্বান জনাইছিল যদিও পৰৱৰ্তী দুয়োটা ৰাউণ্ডতে তুৰস্কৰ প্ৰতিদ্বন্দ্বীগৰাকীয়ে লাভলীনাক শক্তিশালী পালেৰে ধৰাশায়ী কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান সুৰক্ষিত কৰে। ইফালে, দুবাৰৰ বিশ্ব চেম্পিয়ন নিখট জাৰিনে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান সুৰক্ষিত কৰিছে। ৫১ কেজিৰ দ্বিতীয় ৰাউণ্ডৰ মেচখনত জাৰিনে আমেৰিকাৰ জেনিফাৰ ল'জানোকে সহজেই ৫-০ত পৰাস্ত কৰি অন্তিম ১৬লৈ উন্নীত হয়। আনহাতে, জইছমিন লম্বোৰিয়াই ৫৭ কেজি আৰু এছিয়ান গেমছৰ ব্ৰঞ্জৰ পদক বিজয়ী নৰেন্দৰ বেড়ৱালে ৯০ কেজি শাখাৰ প্ৰি-কোৱাৰ্টাৰত প্ৰৱেশ কৰিছে।

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত কাকৰিকটাত মাশ্বৰোম খেতিৰ প্ৰশিক্ষণ




ৰঙিলী বাৰ্তাসেৱা- "কাঠফুলা নৱ প্ৰজন্মৰ এক আদৰ্শ কৃষি। অতি কম সময়ত, কম ঠাইতেই উচ্চপ্ৰটীণৰ উৎস ওৱেষ্টাৰ মাশ্বৰোম অথাৎ কাঠফুলা খেতি কৰি স্বাৱলম্বী হ'ব পাৰে। কাঠফুলাক বৈজ্ঞানিক পদ্ধতিৰে উৎপাদন আৰু পেকেজিং কৰি অতি সহজে বজাৰ দখল কৰিব পাৰি, সেয়ে নৱ প্ৰজন্মৰ যুৱক- যুৱতীসকল কাঠফুলা খেতি কৰিবলৈ আগবাঢ়ি আহক"- এই আহ্বান যোৰহাটৰ বিশিষ্ট কাঠফুলা খেতিয়ক মাধুৰীমা দত্তৰ । আজি নামনি মাজুলীৰ কাকৰিকটাত অনুষ্ঠিত হোৱা কাঠফুলা খেতিৰ প্ৰশিক্ষণ প্ৰদান কৰি অভিজ্ঞ কাঠফুলা উৎপাদনকাৰী মাধুৰীমা দত্তই কেনেকৈ কাঠফুলা খেতি কৰিব, কেনেকৈ উচ্চউৎপাদনক্ষম বীজ চিনাক্ত কৰিব, কাঠফুলাৰ পেকেজিং আৰু বজাৰ দখলৰ মূল্যায়ন কেনেকৈ কৰিব সেই সন্দৰ্ভত প্ৰশিক্ষাৰ্থীসকলক তন্ন তন্নকৈ বুজাই দিয়ে। তেওঁ, উক্ত প্ৰশিক্ষণথলীতে কাঠফুলা পেকেজিংৰ বৈজ্ঞানিক ৰীতি-নীতিসমূহ ব্যাখ্যা কৰে আৰু পেকেজিং কৰি দেখুৱাই দিয়ে । মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত, মাজুলী উন্নয়ন খণ্ডৰ "আতমা"ৰ সহযোগত আজি নামনি মাজুলীৰ কাকৰিকটাত নৱ প্ৰজন্মৰ কৃষকসকলৰ মাজত মাশ্বৰোম অথাৎ কাঠফুলা খেতিৰ ওপৰত এক উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। নামনি মাজুলীৰ কাকৰিকটাৰ উদীয়মান মাশ্বৰোম খেতিয়ক মনোজ দাসৰ কাঠফুলা ফাৰ্মত অনুষ্ঠিত হোৱা উক্ত প্ৰশিক্ষণ কাৰ্যসূচী আজি আঁত ধৰে আতমাৰ কৰ্মচাৰী প্ৰাণজিত ভুঞাই । প্ৰশিক্ষণ কাৰ্যসূচীত কমালাবাৰী কৃষি উন্নয়ন বিষয়া পংকজ পুৰাণে মাশ্বৰোমৰ গুণাগুণ, উচ্চপ্ৰটিনৰ উৎস ওৱেষ্টাৰ মাশ্বৰুম কৰিবলৈ কৃষকসকলক আহ্বান জনায়। প্ৰশিক্ষণত সমল ব্যক্তি যোৰহাট কেন্দুগুৰিৰ মাধুৰীমা দত্তই মাশ্বৰুমৰ খেতি কৰা বিভিন্ন প্ৰণালী, কাঠফুলাৰ গুণাগুণ ব্যাখ্যা কৰে। তেওঁ সমগ্ৰ অসমত ৩০০০ হেজাৰ মাশ্বৰোম কৃষকে বজাৰ দখল কৰি আছে (দহ পৃষ্ঠাত চাওক)

# পৰিয়ালসহ গুৱাহাটীত উপস্থিত

হাজৰিকা আৰু তেওঁৰ পৰিয়াল। উল্লেখ্য যে অহা ১৩ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে অনুষ্ঠিত কৰা হ'ব এক বিশাল অনুষ্ঠান। এহেজাৰ শিল্পীয়ে সুধাকণ্ঠৰ ৰচ্ছুটা কালজয়ী গীত পৰিৱেশনেৰে অনুষ্ঠান জীপাল কৰাৰ লগতে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি উন্মোচন কৰা হ'ব এক বিশেষ গ্ৰন্থ। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ বাবে অসমত উপস্থিত হৈছে সুধাকণ্ঠৰ পুত্ৰ তেজ হাজৰিকা আৰু তেওঁৰ পৰিয়াল। তেজ হাজৰিকাই অসমত উপস্থিত হৈ পিতৃৰ কথা সুঁৱৰি আৱেগিক হৈ পৰে। পুত্ৰ তেজ হাজৰিকাৰ লগতে ভূপেন হাজৰিকাৰ নাতি চেজ হাজৰিকা আৰু তেওঁৰ মাতৃও উপস্থিত হৈছে গুৱাহাটীত। সুধাকণ্ঠ তথা পিতৃৰ জন্ম শতবাৰ্ষিকীক লৈ যথেষ্ট উৎসাহিত হৈ পৰা পুত্ৰ তেজ হাজৰিকাই সংবাদ মাধ্যমৰ আগত অসম চৰকাৰে লোৱা এই প্ৰয়াসৰ বাবে যথেষ্ট আনন্দিত বুলি প্ৰকাশ কৰে। তেওঁ কয়- পিতৃৰ গীতৰ পৰাই অসম তথা উত্তৰ-পূবৰ সম্পূৰ্ণ পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছোঁ। তেওঁৰ গীতে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মাজত থকা সম্পৰ্ক, সংস্কৃতি-ভাষাক দাঙি ধৰে। এই বিষয়সমূহ গৱেষণাৰ প্ৰয়োজন। আনহাতে, সুধাকণ্ঠৰ নাতি চেজ হাজৰিকাই এনে অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই সমূহ পৰিয়ালে ধন্য মানিছে বুলি উল্লেখ কৰি কয়- তেওঁৰ ককাকৰ সৃষ্টিৰাজিক এনেদৰে অসমবাসীয়ে তুলি ধৰাৰ যি প্ৰয়াস সেয়া অনন্য। এই অনুষ্ঠানৰ বাবে সুদূৰ আমেৰিকাৰ পৰা অসমলৈ অহাৰ আমি সুযোগ পালোঁ, তাৰ বাবেও অসম চৰকাৰ আৰু অসমবাসীক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

# গুৱাহাটীত মহিলা বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত সংগীত পৰিৱেশন কৰিব শ্ৰেয়া ঘোষালে



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত প্ৰথমবাৰৰ বাবে অনুষ্ঠিতব্য আইচিচি মহিলা বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানত সংগীত পৰিৱেশন কৰিব ভাৰতৰ অন্যতম জনপ্ৰিয় গায়িকা শ্ৰেয়া ঘোষালে। ৩০ ছেপ্টেম্বৰত বৰ্ষাপাৰাৰ ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ'ব উদ্বোধনী মেচখন। বৃহস্পতিবাৰে আইচিচিয়ে এই কথা সদৰী কৰিছে। শ্ৰেয়া ঘোষালে প্ৰতিযোগিতাখনৰ বাবে ইতিমধ্যে বাণীবদ্ধ কৰা গীত 'ব্ৰিং ইট হোম' পৰিৱেশন কৰিব। ভাৰতৰ চাৰিখন চহৰ আৰু শ্ৰীলংকাৰ কলম্বোত অনুষ্ঠিত হ'বলগীয়া আইচিচি মহিলা বিশ্বকাপ ক্ৰিকেটৰ বাবে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে টিকট বিক্ৰী মুকলি আৰু মনোৰঞ্জন কাৰ্যসূচী ঘোষণা কৰিছে। ভাৰতত অনুষ্ঠিতব্য সকলো লীগ মেচৰ টিকটৰ মূল্য নিৰ্ধাৰণ কৰা হৈছে মাত্ৰ (নপৃষ্ঠাত চাওক)

# পলাশবাৰীত সাংবাদিকে আক্ৰমণ কৰিলে শিক্ষাবিদক



ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষাগুৰুৰ জ্ঞানেৰে জাতিশ্ৰাৰ মানৱ সমাজ। সমাজত শিক্ষাগুৰুৰ স্থান সৰ্বব্যাপী। বৰ্তমান সমাজত উচ্ছৃংখলতা বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে শিক্ষক দিৱসৰ প্ৰাকক্ষণত পলাশবাৰীৰ উপৰহালীত সংঘটিত হ'ল এক জঘণ্য কাণ্ড। অসমীয়া আগশাৰীৰ বাতৰিকাকত অসমীয়া খবৰৰ সাংবাদিক পবিত্ৰ কুমাৰে দাসে আক্ৰমণ কৰিলে শিক্ষাবিদ ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াক। উপৰহালীত সাহিত্য সভাৰ মিটিং চলি থকা সময়ত কথাৰ বাকবিতণ্ডাত তথাকথিত সাংবাদিক পবিত্ৰ কুমাৰ দাসে নিৰ্মমভাৱে আক্ৰমণ কৰে শিক্ষাবিদ ড°ঠাকুৰীয়াক। সাংবাদিকৰ গৰিমাত কালিমা সনা এনে ঘটনাই এতিয়া সমগ্ৰ দক্ষিণ কামৰূপত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এইজন তথাকথিত স্বয়ম্ভু (দহ পৃষ্ঠাত চাওক)

# মুম্বাইত ৪০০ কেজি আৰডিএক্সসহ ৩৪ মানৱ বোমা



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ মুম্বাই মায়ানগৰীত বিস্ফোৰণৰ ভাবুকি। হাই এলাৰ্ট জাৰি মুম্বাই আৰক্ষীৰ। মায়ানগৰী মুম্বাইৰ যান-বাহন আৰক্ষীৰ হোৱাটছএপ নম্বৰলৈ সন্ত্ৰাসবাদীয়ে মানৱ বোমাৰে মুম্বাই উৰুৱাই দিয়াৰ ভাবুকি প্ৰেৰণ কৰাৰ পাছতেই সমগ্ৰ চহৰখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। যান-বাহন আৰক্ষীৰ হোৱাটছএপ নম্বৰত প্ৰেৰণ কৰা সন্ত্ৰাসবাদীৰ ভাবুকিয়ে ইতিমধ্যে বাণিজ্যিক ৰাজধানীখনত ত্ৰাসৰ সৃষ্টি কৰিছে। সন্ত্ৰাসবাদীয়ে ভাবুকি প্ৰদান কৰা মতে, ৩৪ মানৱ বোমাই ৪০০ কিলোগ্ৰাম আৰডিএক্স কঢ়িয়াই লৈ ৩৪খন বাহন আছে। এই মানৱ বোমাই সমগ্ৰ চহৰখনকে উৰুৱাই দিব। আৰক্ষীয়ে এই ভাবুকি লাভ কৰাৰ পাছতেই চহৰখনত হাই এলাৰ্ট জাৰি কৰিছে। সন্ত্ৰাসবাদীৰ গোটটোৱে নিজকে লস্কৰ-ই-জেহাদী বুলি ঘোষণা কৰি এই (নপৃষ্ঠাত চাওক)

# চীনৰ ঘনঘোৰ অন্ধকাৰত আমি ভাৰত-ৰাছিয়াক হেৰুৱালোঁঃ ট্ৰাম্প



ৰঙিলী বাৰ্ত্তাসেৱা- চীনৰ টিয়ানঝিনত এছচিঅ'ৰ সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আৰু চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ মহামিলনক লৈ অৱশেষত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে। মোদী, জিনপিং আৰু পুটিনৰ আলোকচিত্ৰ প্ৰচাৰ কৰি মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে গভীৰতম আন্ধাৰ চীনৰ হাতত ভাৰত আৰু ৰাছিয়াক (নপৃষ্ঠাত চাওক)

# সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ অনশন




ৰঙিলী বাৰ্ত্তাসেৱা- সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰউদ্যোগত দীঘলীপুখুৰী পাৰত থকা প্ৰশান্তি উদ্যানৰ চৌহদত ১১ ঘণ্টীয় অনশন কাৰ্যসূচী ৰূপায়ন কৰে। কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি বিপজ্যোতি মালাকৰ, সম্পাদক সমীৰণ কলিতা, কেন্দ্ৰীয় সমিতিৰ সদস্য জিতেন দাস, ৰূপম দাস, শিক্ষা সচিব টুটুমনি দাস, সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সভাপতি কমল মহন্ত, সম্পাদক প্ৰাঞ্জল ডেকা, প্ৰাক্তন সাংগঠনিক সম্পাদক ৰাইফুদ্দিন আহমেদ, উজান বজাৰ ভাওনা মহিলা সমাজৰ ইলা দাস সহ ১০০ জন মান উপস্থিত আছিল। কাৰ্যসূচী চলি থকাৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰি কয় যে-বৰ্তমান অসমৰ ৰাইজ অসন্তুষ্ট। সংখ্যাৰ বলত চৰকাৰে জাতিটোক টেটু চেপা দিছে। আছুৰ প্ৰতিখন জিলা কমিটীয়ে প্ৰতিবাদ কৰিছে। হিন্দুয়েই হওক বা মুছলমানেই হওক সকলো বিদেশী অসমৰ পৰা যাব লাগিব উন্মুক্ত সীমা ছিল কৰিব লাগে। বাংলাদেশীক দেখা মাত্ৰকেই গুলীয়াব লাগে। সমগ্ৰ অসমত CAAৰ আওঁতাৰ পৰা আঁতৰত ৰাখিব লাগে। দেশৰ আন ৰাজ্যত যি কৰে কৰক। অসমৰ পৰিৱেশ সুকীয়া immigratio and foreign act ২০২৫ অসমৰ পৰা বাতিল কৰিব লাগিব। মুখ্যমন্ত্ৰীৰ কালি বক্তব্যত কা' আন্দোলনে ন্যায্যতা পালে। মুখ্যমন্ত্ৰীৰ মুখত প্ৰথমবাৰৰ বাবে কা' আন্দোলনত নিহত পাঁচজন (দহ পৃষ্ঠাত চাওক)

# দিব্যাংগ নাট্য বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ প্ৰথমখন 'দিব্যাংগ নাট্য বিদ্যালয়'ৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। দিব্যাংগ নাট্য বিদ্যালয়ৰ বাকৰি জোনালী তিনিআলি, জু ৰোডৰ, সেন্দুৰিআলিত অৱস্থিত। দিব্যাংগ নাট্য বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদৰ (দহ পৃষ্ঠাত চাওক)

# ১০ অক্টোবৰত পুনৰ ৮-৯ হাজাৰ শিক্ষকক নিযুক্তি




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে অহা ১০ অক্টোবৰত পুনৰ ৮-৯ হাজাৰ শিক্ষকক নিযুক্তি দিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰিলে। সংবাদ মাধ্যমৰ আগত তেওঁ কয়- ১০ অক্টোবৰত ৮-৯ হাজাৰ শিক্ষকক নিযুক্তি দিয়া হ'ব। শিক্ষকৰ প্ৰতিবছৰে অৱসৰ হৈ থাকে। গতিকে এই পদসমূহ পূৰণৰ বাবে চৰকাৰে নিযুক্তি দিয়াৰ চেষ্টা কৰি আহিছে। কিন্তু কেতিয়াবা কেতিয়াবা এই নিযুক্তি প্ৰক্ৰিয়াক লৈ ন্যায়ালয়ত কেছ আদিও পঞ্জীয়ন হয়। তাৰ মাজতে মই ভাবোঁ যে পৰিৱেশ আগতকৈ যথেষ্ট ভাল হৈছে আৰু ভাল হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে ৰাজ্যত আদৰ্শ প্ৰাথমিক বিদ্যালয় স্থাপন কৰা নহয়, আদৰ্শ হাইস্কুলহে স্থাপন কৰা হ'ব। বৰ্তমান চৰকাৰে প্ৰাথমিক বিদ্যালয়ক আদৰ্শ বিদ্যালয়ৰূপে স্থাপন কৰাৰ কথা ভবা নাই। একে সময়তে চৰকাৰে হাইস্কুলসমূহক হায়াৰ ছেকেণ্ডাৰীলৈ উন্নীত কৰা হ'ব।

# বন্ধুক হত্যা কৰি পেলাই দিলে বশিষ্ঠ নদীত



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত পুনৰ এক ভয়ংকৰ ঘটনা সংঘটিত হৈছে । বন্ধুৰ হাতত মৃত্যু হ'ল বন্ধুৰ । মহানগৰীৰ গড়চুকৰ বাথৌপুৰীত সংঘটিত হৈছে ভয়ংকৰ ঘটনা। মৃত লোকজন দক্ষিণ শালমাৰাৰ ৰিয়াজ আলী। পেছাত ৰাজমিস্ত্ৰী হিচাপে কৰ্মৰত ৰিয়াজ আলীক তেওঁৰে ঘনিষ্ঠ বন্ধু ৰফিকুল ইছলামে হত্যা কৰি পৰৱৰ্তী সময়ত মৃতদেহ বশিষ্ঠ নৈত উটুৱাই দিয়ে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, কিছুমাহ পূৰ্বে গুৱাহাটীলৈ অহা ৰিয়াজ আলীয়ে বিভিন্ন ঠাইত ঠিকাদাৰ হিচাপে কাম কৰা ৰফিকুল ইছলামৰ সৈতে একেলগে গড়চুকত ভাৰাঘৰত আছিল। মহানগৰীৰ বিভিন্ন ঠাইত চলি থকা ( নপৃষ্ঠাত চাওক)

# জালুকবাৰীত চাৰি কুকুৰ চোৰক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানৰ পৰা কুকুৰ চুৰি কৰি আহিছিল এটা অসাধু-চক্ৰই। ৬ মাহ ধৰি জালুকবাৰী, গো-শালা, মালিগাঁও, পাণ্ডুকে ধৰি বিভিন্ন স্থানৰ পৰা কুকুৰ চুৰি কৰিছিল এই চক্ৰটোৱে। চিচি টিভিৰ কেমেৰাত বন্দী হোৱা কুকুৰ চুৰিৰ দৃশ্যৰ ভিত্তিত ৰাইজে জালুকবাৰী থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে পাণ্ডুৰ টেম্পল ঘাটত অভিযান চলাই চাৰিটা কুকুৰ চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত চোৰকেইটা জেকইষ্টন চাংমা, বানে চাংমা বিনাৰচান টেৰাং আৰু স্মল চাংমা। ধৃত চোৰকেইটাৰ পৰা এএছ-০২ এটি-৬৬৬৪ নম্বৰৰ এখন বাহন জব্দ কৰে। ধৃত চোৰকেইটাই বিস্কুট খুৱাই কুকুৰ চুৰি কৰি আহিছিল। বৃহস্পতিবাৰে ঘটনা সন্দৰ্ভত জালুকবাৰী ( নপৃষ্ঠাত চাওক)

# ঢেকীয়াজুলিত উদ্যমিতা অভিযানৰ চেক প্ৰদান মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকললৈ চেক প্ৰদানৰ শুভাৰম্ভণি কৰে। ঢেকিয়াজুলি চাহ বাগিছা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৩১, ২২৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক চেক প্ৰদান কৰা হয়। ইয়াৰে ২৯, ৫২৩ গৰাকী গ্ৰামাঞ্চলৰ আৰু ১,৭০১ গৰাকী নগৰাঞ্চলৰ আত্মসহায়ক গোটৰ সদস্যা। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যত থকা ৪ লাখ আত্মসহায়ক গোটৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে। এই ৪০ লাখৰ ভিতৰত প্ৰায় ৮.৫ লাখ মহিলাই বছৰত ১ লাখ টকা উপাৰ্জন কৰে। এনে 'লাখপতি বাইদেউ'সকলৰ মাজৰে একাংশ উদ্যমী মহিলাই বছৰি ১০ লাখ টকাৰ ব্যৱসায় কৰি 'মহালাখপতি বাইদেউ'লৈ উন্নীত হৈছে। উদ্যমিতাৰ জৰিয়তে যদি ৮ লাখ মহিলা 'লাখপতি বাইদেউ হ'ব পাৰিছে, তেন্তে আত্মসহায়ক গোটসমূহৰ বাকী ৩২ লাখ মহিলা 'লাখপতি বাইদেউ' হ'ব নোৱাৰাৰ কাৰণ নাই। ৩২ লাখ মহিলাকো 'লাখপতি বাইদেউ'লৈ উন্নীত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে প্ৰয়াস কৰিব। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ২৩-২৪ শতাংশ পৰ্যন্ত সুদত ঋণ লৈ মহিলাসকল অসুবিধাত পৰাৰ প্ৰসংগ উল্লেখ কৰি কয় যে ৰাজ্য চৰকাৰে আত্মসহায়ক গোটসমূহক ২৫ হাজাৰ টকাৰ ঘূৰ্ণীয়মাণ পুঁজি ( নপৃষ্ঠাত চাওক)

# এনআইআৰএফ ৰেংকিঙত নৱম স্থান গুৱাহাটী বিশ্ববিদ্যালয়ৰ




ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনলৈ পুনৰ সুখবৰ কঢ়িয়াই আনিছে। দেশৰ শ্ৰেষ্ঠ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ে নৱম স্থান দখল কৰিবলৈ সক্ষম হৈছে। নতুন দিল্লীত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে চলিত বৰ্ষৰ বাবে মুকলি কৰা নেচনেল ইনষ্টিটিউচনেল ৰেংকিং ফ্ৰেমৱৰ্ক (এনআইআৰএফ)ৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ে এই সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। দেশৰ শীৰ্ষ ১০খন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ে নৱম স্থান লাভ কৰিছে। এই তালিকাত শীৰ্ষস্থানত আছে কলকাতাৰ যাদৱপুৰ বিশ্ববিদ্যালয়। আনহাতে চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ে দ্বিতীয়, চণ্ডীগড়ৰ পাঞ্জাব বিশ্ববিদ্যালয়ে তৃতীয়, বিশাখাপটনমৰ অন্ধ্ৰ বিশ্ববিদ্যালয়ে চতুৰ্থ, তিৰুৱন্তপুৰমৰ কেৰালা বিশ্ববিদ্যালয়ে পঞ্চম, কোচিনৰ কোচিন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ে ষষ্ঠ, হায়দৰাবাদৰ ( নপৃষ্ঠাত চাওক)

# ট্ৰাম্পক পুনৰ সকীয়নি পুটিনৰ



ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকাই শুল্ক বোমাৰে ভাৰত আৰু চীনক চাপত ৰাখিব বিচৰা কাৰ্যত মুকলি ক্ষোভ প্ৰকাশ কৰিছে ৰাছিয়াই। এচিঅ' সন্মিলনৰ বাবে চীনত উপস্থিত হোৱা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ভাৰত আৰু চীনৰ কাষত থিয় হৈ মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক দেশ দুখনৰ ওপৰত দমনমূলক আচৰণ নকৰিবলৈ সকীয়নি দিয়ে। সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত পুটিনে কয়, ট্ৰাম্প প্ৰশাসনে অৰ্থনৈতিক হেঁচা বৃদ্ধি কৰি এছিয়াৰ দুই বৃহৎ শক্তিক দমন কৰিবলৈ চেষ্টা চলাইছে। এই কাৰ্য কেতিয়াও গ্ৰহণযোগ্য নহয়। ভাৰত আৰু চীনক ৰাছিয়াৰ অংশীদাৰ বুলি অভিহিত কৰি পুটিনে কয় যে আমেৰিকাই দুয়োখন দেশৰ নেতৃত্বক দুৰ্বল কৰাৰ চেষ্টা কৰিছে। ঔপনিৱেশিকতাক লৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে ট্ৰাম্পক কটাক্ষ কৰে। পুটিনে কয়- ভাৰতৰ জনসংখ্যা ১৫০ কোটি। চীন এখন শক্তিশালী অৰ্থনীতিৰ দেশ। ইয়াৰ বৃহৎ জনসংখ্যাই নহয়, বৰঞ্চ নিজা ৰাজনৈতিক ব্যৱস্থা আৰু আইন আছে। ভাৰত আৰু চীন সন্দৰ্ভতো ৰাষ্ট্ৰপতি পুটিনে কয় যে দেশ দুখনে ইতিহাসত বহু কঠিন সময় দেখিছে। বিশেষকৈ ঔপনিৱেশিকতাৰ প্ৰসংগ উত্থাপন কৰি পুটিনে ৱাশ্বিংটনক সোঁৱৰাই দিয়ে যে ইতিমধ্যে ঔপনিৱেশিকতা যুগৰ অন্ত পৰিছে। সেয়েহে ভাৰত আৰু চীনৰ লগত এনেদৰে কথা পাতিব নোৱাৰি আমেৰিকাই বুজিব লাগিব যে ভাৰত আৰু চীনৰ অৱস্থা পূৰ্বৰ দৰে নহয়। শেহতীয়া কাম-কাজেও এই কথা প্ৰতিপন্ন কৰিছে। উল্লেখ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাছিয়াৰ পৰা তেল আমদানি কৰাৰ অচিলাৰে ( নপৃষ্ঠাত চাওক)

# Vrindavani Vastra: The lost heritage of Assam coming home

**Heramba Nath**



There are certain moments in the cultural history of a people when a long-silenced thread reconnects with its loom, when what had been displaced by distance and time is permitted, even briefly, to return to the soil of its birth. Assam is now on the threshold of such a moment, for the British Museum has agreed to loan the Vrindavani Vastra, the sixteenth-century masterpiece of Assamese weaving inspired by the saint-philosopher Srimanta Sankardeva, to the state for an eighteen-month exhibition in 2027. The announcement has reverberated across Assam with pride, expectation, and a deep sense of justice delayed, for this Vastra is more than a textile: it is a spiritual scripture woven in silk, a testimony of artistry, devotion, and the intellectual ferment of a civilisation that blossomed along the Brahmaputra centuries ago.

The Vastra was not an ordinary creation of looms and threads. Conceived under the vision of Sankardeva, the towering figure of Assam's Neo-Vaishnavite movement, it depicted through its intricate designs the divine narratives of Lord Krishna in Vrindavan. Its panels illustrated episodes of Krishna's playful leelas, his dances with the gopis, his pastoral scenes, and his acts of divine grace. In every motif, the Vastra carried not only beauty but also philosophy, for Sankardeva's movement was founded on the principle of bhakti—devotion as the highest path to truth. The textile thus embodied the attempt to bring faith into material life, to make cloth itself an instrument of spiritual storytelling. Woven by the disciples of Sankardeva, the Vastra was not just a work of art but a medium of collective devotion, destined to be displayed in satras where the faithful could contemplate divine stories not only through scriptures and hymns but also through woven vision.

Yet history is often unkind to heritage. The Vrindavani Vastra, instead of remaining preserved in Assam, travelled far from its roots. In the seventeenth or eighteenth century, it reached Tibet, perhaps as part of mercantile exchanges or through political turbulence that saw many Assamese artefacts leave the region. Later, British explorers and collectors, moving across the Himalayan frontiers, acquired it and eventually brought it to India's colonial museums. From there, in the nineteenth century, it entered the holdings of the India Museum in London and was later transferred to the British Museum, where it has remained ever since. For decades, it has been admired by scholars and visitors in Europe, photographed, catalogued, and occasionally exhibited, yet it remained painfully distant from the land that gave it birth. Assam could only view it as an exile—one more chapter in the larger saga of Indian cultural treasures housed abroad.

The yearning for its return is not new. For years, Assamese scholars, cultural activists, and government representatives have sought ways of bringing the Vastra back. **Next Issue**


# অজানমূলুক



ইভা গন্ধীয়া ফুকন

ক'ত আছে অজানমূলুক
তাত জিলিকেনে কেতিয়াবা
জোনাকত কাঁইটীয়া বাট
তাত ফুলেনে সুগন্ধি গোলাপ
প্ৰেম, বিৰহ, বাল্য, বৃদ্ধ
আনন্দ, চকুলো, অনুভূতি,
যন্ত্ৰণা, তিৰস্কাৰ, তোষামোদ
এইবোৰৰ স্থান আছে নে তাত
জানিবৰ ইচ্ছা জাগেনে হৃদয়ত
তাত পোহৰে হাতৰ মুঠিত আনেনে আন্ধাৰ
তাত শুনিনে কেতিয়াবা নদীৰ উচুপনি
সাগৰৰ গৰ্জন, পৰ্বত- পাহাৰৰ বিননি
অজানমূলুক এখন অচিনাকি দেশ
তাত মানুহবোৰ চাগৈ উলংগ নহয়
কেউদিশে থাকে নেকি সুখৰ আলয়
তাত গছৰ ডালত নপৰেহি পুৱতিৰ চৰাই
তাত জোনাকে নাগায় কাহানিও বিষাদৰ গীত
জীৱন নাট সামৰি সকলোৱে কৰিব লাগিব
অজনমূলুকৈ গতি
এইয়াই সময়ৰ ৰীতি।

# প্ৰেম এক সৰগীয় অনুভূতি



ৰশ্মি ৰেখা দুৱৰা

সঁচা অন্তৰত থিতাপি লোৱা
অকৃত্ৰিম নিভাঁজ ভালপোৱা
তাত মৰমৰ কোনো মূল্যায়ন নহয়
মৰমৰ এনাজৰীডাল
মাথোঁ গভীৰতালৈ বৈ থাকে।
প্ৰেম এক সৰগীয় অনুভূতি
ভাৱৰ আদান-প্ৰদান নহ'লেও
কিছু কথা বিশ্বাসেৰে অনুভৱ কৰিব পাৰি,
নীৰৱতাত কোনো ভাষাৰ প্ৰয়োজন নহয়
মাথোঁ দুখন সঁচা হৃদয়ৰ প্ৰয়োজন।
যিজনে প্ৰতিটো বিপদত সাহস হৈ থিয় দিয়ে
বিপথে পৰিচালিত হৈছা বুলি গা এৰা নিদি
যৎপৰোনাস্তি চেষ্টা কৰে
সৎ পথলৈ ঘূৰাই অনাৰ,
প্ৰেম কৰা নাযায়
আপোনা আপুনি প্ৰেমৰ ভাৱ জাগ্ৰত হয়,
এখন সঁচা হৃদয়ে আন এখন সঁচা হৃদয়ক
মৰমেৰে আঁকোৰালি লয়।

# নীৰস নীৰৱতা



শৈলেন কুমাৰ, মিৰ্জা, দক্ষিণ কামৰূপ

অনুভৱৰ দলিচাত
পৃষ্ঠা লুটিয়াই চাই
অকপট স্বীকাৰোক্তি
নীৰস নীৰৱতা সৰ্বব্যাপী দুঃস্বপ্ন
মনমগজু দুখিতঃ
অৰ্থলোভত মগন
স্বচ্ছতা এক ভেঙুচালি
আঁতৰাই চোৱা যদি দৰ্পণ
ৰজাৰ উৎপীড়ন
বলিয়া প্ৰজাগণ
ফোপলা স্বৰূপ ঢাকি
কৰে স্বয়ম্ভু শক্তিৰ জয়গান
নীৰিহ সকলৰ আৰ্তনাদ
মিছা অহংকাৰত মচগুল
এলেহুৱা জাতিৰ অন্তিম পন্থা
উৰুৱাই উন্নয়নৰ জয়ধ্বজা
জাতি আজি বিকলাংগ
যুৱশক্তি নিচাসক্ত
জাতিৰ নায়কৰ পাতি শ্ৰাদ্ধ
বহিৰাগতৰ হাতত সকলো আৱদ্ধ
কেউদিশে নীৰস নীৰৱতা
লাচিতৰ দেশ হ'ল পৰাস্ত
যিদিনাখনে আঁতৰিব
বন্দীত্বৰ আঁৰকাপোৰ
বিচাৰি ফুৰিবা নীৰস নীৰৱতা

# সাহিত্য হ'ল প্ৰতিটো জাতিৰ দাপোণ

অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

যোৰাখণ্ডৰ পৰা...



মহাকবি কালিদাস এজন বিদজ্ঞ পণ্ডিত আছিল। তেওঁ কেনেকৈ পণ্ডিত হ'ল সেই কথাটো বহলাইনকওঁ সকলোৰে পৰিচিত, পৰিস্থিতিত পৰি কষ্ট সাধনাৰ লগতে দেৱী ইশ্বৰৰ আশীৰ্বাদ থাকিলে সকলো সম্ভৱ হয়। তেখেতে ৰচনা কৰা অভিজ্ঞানম শকুন্তলম, মেঘদুত আদি অনেক কাব্য গ্ৰন্থ জনসমাজক উপহাৰ দিছে।

কবি গুৰু ৰবীন্দ্ৰ নাথে ঠাকুৰে কৈছিল- "সাহিত্য চৰ্চা নিৰ্জনতাত সুন্দৰ ভাবে প্ৰতিফলিত হয়"। তেওঁৰ সৃষ্টিৰাজি সাহিত্যৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান কোনেও পাহৰিব নোৱাৰে। তেখতৰ ৰচিত গীতাঞ্জলী কাব্যগ্ৰন্থৰ বাবে নবেল বঁটা লাভ কৰা এছিয়া মহাদেশৰ প্ৰথম ব্যক্তি আছিল। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত "জনগণ মন অধিনায়ক জয় হে" তেখেতৰ অমূল্য সৃষ্টি সকলো ভাৰতীবাসীয়ে পোৱা স্বাধীনতাৰ এক মিঠা সুন্দৰ উপহাৰ।

জোনাকী যুগৰ খুহুতীয়া নামেৰে অলংকৃত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা দেৱে আমাৰ অসমীয়া ভাষাৰ উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে সাধুকথাৰ পৰা আৰম্ভ কৰি অলেখ গল্প ৰচনা সম্ভাৰ দি থৈ গৈছে। কৃপাবৰ বৰুৱা ছদ্ম নামেৰে খুহুতীয়া ৰচনাৰ জৰিয়তে সমাজখনত কিছু তত্বগধুৰ উপদেশ দাঙি ধৰিছে। সাহিত্যৰ সৃষ্টিৰ মূলতে হল সমাজত ঐক্য, শান্তি, সম্প্ৰীতি সংস্কৃতিৰ অক্ষুন্ন ৰখা। তেখেতৰ ৰচিত "বুঢ়ী আইৰ সাধু" শিশু সকলৰ প্ৰিয় গ্ৰন্থ।

সাহিত্য সংস্কৃতিৰ অন্তৰালত জাতিটোৰ লোক সংস্কৃতি থলুৱা শিল্প, উৎসৱ খেল ধেমালি সকলো অন্তৰ্নিহিত হৈ আছে। সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন গল্পকাৰ, কবি, সাহিত্যিক সকলেও নিজৰ লেখনীত প্ৰতিটো জাতিটোৰ আচাৰ ব্যৱহাৰ পৌৰাণিক যুগৰ পৰা বৰ্তমানৰ অৱস্থা সংস্কৃতিৰ বৈশিষ্ট্য দাঙি ধৰিছে।

আমাৰ অসমীয়া সাহিত্যৰ ক্ষেত্ৰত আন এক উল্লেখযোগ্য অৱদান আগবড়াই থৈ যোৱা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ লেখা নিশ্চয় পঢ়িছে। তেওঁৰ উপন্যাস মনোমতী, মিৰি জীয়ৰী সুন্দৰ লিখনি, সেই সময়ত আহোম জনগোষ্ঠী, মিৰি জনগোষ্ঠীৰ আদি সংস্কৃতিৰ মানুহৰ ৰীতি -নীতি পৰম্পৰা সমাজ ব্যৱস্থা স্পষ্ট লিখনিৰ আভাষ পোৱা যায়। তেওঁৰ লিখনিত আকৃষ্ট হৈ বিভিন্ন লিখকে ৰজনীকান্ত বৰদলৈৰ উপন্যাস কেইখন হিন্দী, তামিল, পাঞ্জাবী ভাষাত অনুবাদ কৰিছে।

য়েছে দৰজে ঠংছি এগৰাকী অৰুণাচলৰ ব্যক্তি কবি সাহিত্যিক (আঠপৃষ্ঠাত চাওক)

# নিচামুক্ত অসমৰ স্বপ্নঃ সম্ভাৱনা আৰু প্ৰত্যাশা



যোৰাখণ্ডৰ পৰা...

দ্বীপেন বৰুৱা

সমান্তৰালভাৱে তেওঁলোকৰ সামাজিক, শৈক্ষিক আৰু ব্যক্তিগত জীৱনত এক পাৰ্থক্য আহি পৰে। তেওঁলোকে বিদ্যালয়লৈ যোৱা বন্ধ কৰা আৰম্ভ কৰিব পাৰে, শৈক্ষিক প্ৰদৰ্শনৰ অৱনতি হ'ব পাৰে, মিছা কোৱা আৰু বস্তু লুকুৱাবলৈ আৰম্ভ কৰিব পাৰে আৰু নানান ধৰণৰ অনিয়মীয়া আচৰণ প্ৰদৰ্শন কৰিব পাৰে।

যুৱক-যুৱতীসকল নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্ত হোৱাৰ বহুতো কাৰণ থাকিব পাৰে। ইয়াৰে বেছি সংখ্যকেই সংগ দোষত অথবা কৌতূহলৰ বশৱৰ্তী হৈ নিচাযুক্ত দ্ৰব্যসমূহ প্ৰথমে সেৱন কৰিবলৈ আৰম্ভ কৰে। অতি কম দিনৰ ভিতৰতে তেওঁলোক নিচাসক্ত হৈ পৰে আৰু ইয়াক এৰিব নোৱাৰা হয়। অসমত এই দ্ৰব্যসমূহ সহজে উপলব্ধ হোৱাৰ ফলত ৰাজ্যৰ একাংশ যুৱক-যুৱতী ইয়াৰ কবলত অতি সোনকালে পৰিবলৈ লয়। পৰিয়ালৰ কোনো জ্যেষ্ঠ সদস্যই যদি এনে ৰাগিয়াল দ্ৰব্য সেৱন কৰে, তেওঁলোকৰ পৰাও বহু যুৱক-যুৱতী এইসমূহৰ কাষ চাপি আহে। কৈশোৰ অৱস্থাত সকলো ল'ৰা-ছোৱালীয়ে এক নতুনত্ব বিচাৰে, য'ত তেওঁলোকে নতুন-নতুন বস্তু খাবলৈ চেষ্টা কৰি চাব বিচাৰে আৰু পৰিণামৰ প্ৰতি কোনো মনোযোগ দিব নিবিচাৰে। ইয়ো যুৱক-যুৱতীসকল নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হোৱাৰ অন্যতম কাৰণ হ'ব পাৰে। এই সময়ছোৱাত সামাজিক মাধ্যমৰ দ্বাৰাও তেওঁলোক যথেষ্ট প্ৰভাৱান্বিত হয়। তেওঁলোকে বিজ্ঞাপন আদিত দেখিবলৈ পোৱা চেলিব্ৰেটিৰ দৰে থাকিবলৈ ইচ্ছা কৰে। হতাশা আৰু মানসিক হেঁচাত পৰিও কিছু যুৱক-যুৱতী নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়।

নিচাসক্ত যুৱক-যুৱতীসকলক নিচাৰ কবলৰপৰা উদ্ধাৰ কৰাৰ লগতে আমাৰ সমাজখনক নিচামুক্ত কৰি ৰাখিবলৈ চৰকাৰীভাৱে কেতবোৰ ব্যৱস্থা হাতত লৈছে। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে আৰম্ভ কৰা নিচামুক্ত ভাৰত অভিযান (Nasha Mukt Bharat Abhiyaan) এইক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ২০২০ চনৰ ১৫ আগষ্টত শুভাৰম্ভ কৰা এই অভিযানৰ মূল লক্ষ্য হৈছে- বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ কাষ চপা আৰু নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ বিষয়ে সজাগতা বিয়পাই দিয়া। ইয়াৰ অধীনত উচ্চ শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় চৌহদ আৰু বিদ্যালয়সমূহৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। তদুপৰি, নিচাসক্ত ব্যক্তিসকলক চিনাক্তকৰণ কৰি উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰা হয়। নিৰ্দিষ্ট চিকিৎসালয় আৰু নিচামুক্তি কেন্দ্ৰসমূহত পৰামৰ্শ আৰু চিকিৎসাৰ সুবিধাসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ লগতে এই অভিযানৰ জৰিয়তে সেৱা প্ৰদানকাৰীসকলৰ বাবে দক্ষতা বিকাশৰ কাৰ্যসূচীও ৰূপায়ন কৰা হয়।

অসম চৰকাৰেও নিচামুক্ত ভাৰত অভিযানৰ আলম লৈ নিচামুক্ত অসম গঢ়াৰ দিশে এক বাস্তৱতা-মুখী পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এক নিচাযুক্ত দ্ৰব্য-বিৰোধী অভিযান আৰম্ভ কৰিছে, যি বৰ্তমান সমাজ-সংস্কাৰ আৰু আইন-শৃংখলা দুয়ো ক্ষেত্ৰত এক গভীৰ প্ৰভাৱ পেলাইছে। মুখ্যমন্ত্ৰীৰ উপস্থিতিত মুকলিকৈ ড্ৰাগছ জ্বলাই ধ্বংস কৰা হৈছে, যি এক প্ৰতীকী কিন্তু শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। অবৈধ মাদকদ্ৰব্যৰ চোৰাং সৰবৰাহকাৰীসকলক চিহ্নিত কৰি জেললৈ প্ৰেৰণ কৰিছে। তথ্যনুসৰি অসমত প্ৰায় আশী-নব্বৈ দশকৰ পৰাই চোৰাং মাদকদ্ৰব্যৰ প্ৰচলন বৃদ্ধি পাইছিল। ম্যানমাৰ সীমান্ত, নাগালেণ্ড, মণিপুৰ, মিজোৰামৰ সৈতে বৃহৎ পৰিমাণৰ চোৰাং বাণিজ্য চলিছিল। একেদৰে অসমৰ গুৱাহাটী, নগাঁও, শিৱসাগৰ, গোলাঘাট আদি ঠাইসমূহ অবৈধ ড্ৰাগছৰ মূল ঘাটিলৈ পৰিণত হৈছিল। কিন্তু ২০২১ চনৰ পৰা এতিয়ালৈকে অসমত কোটি টকাৰ ড্ৰাগছ নাইবা মাদকদ্ৰব্য ধ্বংস কৰা দেখিবলৈ পোৱা গৈছে।

আগলৈ...



অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে
চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস
ছেপ্টেম্বৰ- ২০২৫ত
অন্ন সেৱা দিন
১-১০ ছেপ্টেম্বৰ ২০২৫
JANASANYOG- 1933/25/7-Sept-25
মুঠ পৰিয়াল
৭০,৩৪,৫৯৯টা
মুঠ হিতাধিকাৰী
২,৪৪,৯৪,২৫৬গৰাকী
গ্ৰাহকলৈ আমাৰ আহ্বান
এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক
এই বিশেষ দিনকেইটাত
ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত
প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে
৩৫ কিঃগ্ৰাঃ চাউল
অন্ত্যোদয় অন্ন যোজনা (AAY)ৰ
প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ
৫ কিঃগ্ৰাঃ চাউল
অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল (PHH)ৰ
প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ
প্ৰদান কৰা হ'ব
সুলভ মূল্যৰ দোকানীৰ কৰণীয়
অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা
e-KYC
এতিয়াও e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰিবলৈ বাকী থকা সকলো হিতাধিকাৰীক এই ছেপ্টেম্বৰ মাহৰ অন্ন সেৱা দিনৰ ভিতৰত (১ ছেপ্টেম্বৰৰ পৰা ১০ ছেপ্টেম্বৰলৈ) তেওঁলোকৰ e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰিবলৈ অনুৰোধ জনোৱা হ'ল। e-KYC প্ৰমাণীকৰণ সম্পন্ন নকৰা হিতাধিকাৰীসকল বিনামূলীয়া চাউলৰ সুবিধাৰ পৰা বঞ্চিত হ'ব।
কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে
১৮০০-৩৪৫-৩৬১১ | ১৯৬৭
টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us X @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# নম্বৰমুখী শিক্ষা ব্যৱস্থাই বৰ্তমানৰ প্ৰজন্মৰ ওপৰত কেনে প্ৰভাৱ পেলাইছে...

মানসী মিশ্ৰ



দিনটোৰ ব্যস্ততাভৰা সময়বোৰৰ পিছত সন্ধিয়া দিনটোৰ বাতৰিকেইটা শুনিবলৈ, জানিবলৈ টি.ভি টো খুলি লোৱাৰ লগে লগে যিসমূহ বাতৰি শুনিবলৈ পাওঁ সেই সমূহে আমাৰ মনলৈ আশাৰ পৰিৱৰ্ত্তে নিৰাশাৰ ভাৱহে কঢ়িয়াই আনে। সেইদৰে বাতৰিকাকতখন হাতত তুলি ল'লেও সেই একেই পৰিস্থিতি। কেৱল হত্যা, হিংসা, মহিলাৰ ওপৰত হোৱা বিভিন্ন ধৰণৰ উৎপীড়ণ আদিয়ে প্ৰাধান্যতা লাভ কৰিবলৈ লৈছে বাতৰিৰ প্ৰথম পৃষ্ঠাত আৰু ইয়াৰ মূলতেই হৈছে সমাজত এনে ভয়াবহ হত্যা, হিংসাৰ কাহিনীসমূহ অতি ভয়াবহ হাৰত বৃদ্ধি পাবলৈ লৈছে। আমাৰ ৰাজ্যখনত এনে এক পৰিৱেশ পৰিস্থিতি হৈছে য'ত আমি প্ৰতিটো দিনতে এনে ধৰণৰ ঘটনা শুনিবলৈ পাওঁ। কেইটমান বছৰৰ পৰা আমি মন কৰিছোঁ যে আমাৰ সমাজত আত্মহননৰ ঘটনা অতি ভয়াবহ হাৰত বৃদ্ধি পাবলৈ লৈছে। ইয়াত বয়স, লিংগ বুলি এতিয়া কোনো কথা নাই। কৈশোৰৰ পৰা বৃদ্ধলৈকে, পুৰুষৰ পৰা মহিলালৈকে সকলোৱে এই পথ বাচি লয়। সমাজৰ সকলো দিশতে দেখা পোৱা অস্থিৰতাই মানুহৰ ওপৰত যথেষ্ঠ মানসিক চাপ পেলায় আৰু এই অত্যাধিক মানসিক চাপৰ বাবেই মানুহে যিকোনো ধৰণৰ কাম কৰাৰ আগতে নিজৰ মনটোৰ ওচৰত কেতিয়াও ভাবি চাব নোৱাৰে। বৰ্তমান আমি সকলোৱে এখন বস্তুবাদী আৰু যান্ত্ৰিক সমাজত বসবাস কৰোঁ। কেৱল বস্তুগত সম্পদ টকা-পইচা, ধন-সম্পত্তিৰ পিছে পিছে মানুহবোৰ দৌৰিবলৈ লৈছে। সমাজত বসবাস কৰা মানুহখিনিৰ মাজত ধন সম্পত্তি, টকা-পইচাৰ প্ৰতিযোগিতাখন যথেষ্ট ডাঙৰ হৈ পৰিছে। গতিকে এই প্ৰতিযোগিতাৰ দৌৰখনত নিজকে সফল কৰি তুলিবলৈ মানুহে ভিন্ন পন্থাৰ আশ্ৰয় লয়। সফল হ'ব পৰা সকল সফল হয় আৰু যিসকলে সফল হ'ব নোৱাৰে তেওঁলোকৰ মনত হতাশা অথবা একধৰণৰ মানসিক চাপৰ সৃষ্টি হয়। এই বস্তুবাদী প্ৰতিযোগিতাৰ দৌৰখনত সফল হ'ব নোৱাৰা বাবেই বহুলোকে হঠাতে নিজৰ জীৱনটোৰ ওপৰতে অত্যাচাৰ কৰিবলৈ লয়। গতিকে নিজকে শেষ কৰি পেলোৱাৰ দৰে সিদ্ধান্তও তেওঁলোকে তাৎক্ষণিকভাৱে গ্ৰহণ কৰা দেখা যায়। একো একোটা পৰিয়াল এইদৰে সহজতে ধন ঘটাৰ প্ৰতিযোগিতাত এনেকৈয়ে নামি পৰিছে যে শেষত তেওঁলোকে ঋণৰ একোটা প্ৰচণ্ড বোজা সহিব নোৱাৰা হৈ পৰে আৰু ইয়াৰ পৰা পৰিত্ৰাণৰ একো উপায় বিচাৰি নাপাই আত্মহত্যাৰ দৰে ভয়ংকৰ পথ বাচি লৈ নিজৰ লগতে পৰিয়ালৰো জীৱনটো শেষ কৰি পেলায়। এতিয়া মাথোঁ সকলোফালে কেৱল প্ৰতিযোগিতাৰ দৌৰত দৌৰি আছে সমাজৰ বহু সংখ্যক লোক। আমি যদি ভালদৰে মন কৰোঁ, আমাৰ মনলৈ নিশ্চয় আহিব যে প্ৰতিটো বৰ্ষতে শিক্ষান্ত পৰীক্ষাসমূহ উদাহৰণস্বৰূপে উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, স্নাতক যিয়েই নহওঁক এই পৰীক্ষাসমূহ অনুষ্ঠিত হোৱাৰ আগে আগে আৰু ফলাফল নিৰ্দ্ধাৰণৰ পিছত প্ৰতিবছৰে বহুকেইটা আত্মহননৰ ঘটনা সংঘটিত হোৱা দেখিবলৈ পোৱা যায়।

বহু পৰিয়ালত একাংশ অভিভাৱকেও নিজৰ সন্তানসকলক বুজা হোৱাৰ দিনৰে পৰা পৰীক্ষাত নম্বৰ অৰ্জন কৰা একোগৰাকী ব্যক্তি হিচাপে গঢ়ি তোলে আৰু বহুতেই আকৌ কিমান শতাংশ নম্বৰ লাভ কৰিব লাগিব এয়াও ধৰি বান্ধি দিয়ে। এয়ায়ো তেওঁলোকৰ বাবে আন এক গধুৰ আৰু ডাঙৰ পৰীক্ষা। মেট্ৰিক পৰীক্ষা দিয়াৰ দুটামান বছৰ আগৰে পৰাই বহু শিক্ষাৰ্থীৰ মনত এক ধৰণৰ শংকা আৰু চাপৰ সৃষ্টি হয়। বহুসময়ত তেওঁলোকৰ মাক-দেউতাক, অভিভাৱক সকলৰ আশা আকাংক্ষা তেওঁলোকৰ সন্তানৰ দক্ষতাতকৈ অধিক ওপৰত থাকে। ফলত তেওঁলোকে পিতৃ-মাতৃয়ে বান্ধি দিয়া লক্ষ্য পূৰণৰ অৰ্থে উৰাই ঘূৰাই পঢ়িবলৈ লয়। দিনটোৰ বেছিভাগ সময় তেওঁলোকে কিতাপৰ লগত পাৰ কৰিবলৈ লয়। বাকী তেওঁলোকৰ ৰুচি অভিৰুচি, লগ সমনীয়াৰ সতে সম্পৰ্কবোৰ নোহোৱা হ'বলৈ ধৰে আৰু ইয়াৰ ফলত তেওঁলোকৰ মনৰ মাজৰ পৰা ভাল লগা/ বেয়া লগা আদি কথাবোৰ এক প্ৰকাৰ হেৰাই যাবলৈ ধৰে আৰু তেওঁলোকৰ মনত এক ধৰণৰ মানসিক অৱসাদৰ সৃষ্টি হয়। পৰীক্ষাৰ দিন সমূহ যিমানে চমু চাপি আহে তেওঁলোকৰ মনত সিমানেই এক ভয় শংকাই হেঁচা মাৰি ধৰে। ইয়াৰ বাবেই বহুতে পৰীক্ষা গৃহত বহি যদি আশা কৰা মতে পৰীক্ষা দিব নোৱাৰে তেন্তে কিছুমান নকৰিবলগীয়া কাম কৰি পেলায়। কিছুমানে আকৌ পৰীক্ষাৰ ফলাফল প্ৰকাশ পোৱাৰ পিছত আশানুৰূপ ফল লাভ নকৰাৰ বাবেই এনে সিদ্ধান্ত গ্ৰহণ কৰে। পিতৃ-মাতৃ, অভিভাৱকে কিন্তু এনেবোৰ ঘটনা ঘটি যোৱাৰ পিছতহে চিন্তা কৰে যে তেওঁলোকৰ সন্তানে পৰীক্ষাত আশা কৰা মতে নম্বৰ লাভ নকৰাৰ বাবেই এনে চৰম সিদ্ধান্ত ল'ব পাৰিলে। আজিৰ বস্তুবাদী সমাজ ব্যৱস্থাত টকা পইচাৰ প্ৰতিযোগিতাৰ দৰে বহুতেই নম্বৰৰ প্ৰতিযোগিতাত প্ৰতিযোগী হিচাপে সন্তান সকলক দৌৰিবলৈ লগাই দিয়ে অলপ জনা বুজা হোৱাৰ পৰাই ল'ৰা ছোৱালীয়ে কেৱল এই নম্বৰৰ প্ৰতিযোগিতাখনত দৌৰি থাকিবলগীয়া হোৱা বাবেই সমাজৰ চৌপাশৰ বাতাবৰণৰ সৈতে, বন্ধু বান্ধৱ, আত্মীয় স্বজনৰ সৈতে একো সম্পৰ্ক নোহোৱা হয় আৰু ইয়াৰ ফলত তেওঁলোকৰ মনত উদ্ভৱ হোৱা সুখ-দুখ, খঙ-ৰাগ আদি প্ৰকাশ কৰিবলৈ মানুহ নাথাকে। ইয়াৰ ফলতে তেওঁলোকৰ মনত হঠাৎ মানসিক চাপৰ সৃষ্টি হ'লে তেওঁলোকে তাৎক্ষণিক ভাৱে যিকোনো ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। নম্বৰমুখী শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক এক প্ৰকাৰ যন্ত্ৰস্বৰূপ কৰি তুলিছে। দিনটো তেওঁলোকে বন্ধ কোঠাত আৱদ্ধ হৈ থাকে। হাতত যিখনি অতিৰিক্তি সময় পায় সেইখিনি সময় ম'বাইল ফোনটোলৈ ব্যস্ত হৈ পৰে। গতিকে ঘৰলৈ আত্মীয়-স্বজন, আলহী অতিথি আহিলেও তেওঁলোকে গমকে নাপায়। সামাজিক জীৱনটোৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ লগে লগে তেওঁলোকৰ মাজত মৰম, ভালপোৱা, আন্তৰিকতা, দয়া, ক্ষমা আদি গুণবোৰ ক্ৰমাৎ লোপ পাব ধৰিছে। এখন সমাজত এগৰাকী সুৰুচিশীল ব্যক্তি হিচাপে নিজকে আগবঢ়াই লৈ যাবলৈ তেওঁলোকে যিখিনি কথা আয়ত্ব কৰিব লাগে সেই কথাসমূহ তেওঁলোকে শিকিব নোৱাৰে কাৰণ তেওঁলোকৰ সমাজৰ মানুহখিনিৰ লগত বিশেষ কোনো সম্পৰ্কই নাথাকে। সেইবাবে তেওঁলোকে সামাজিক পাৰিপাৰ্শ্বিক অৱস্থাত নিজকে কেনেদৰে খাপ খুৱাব লাগে, জ্যেষ্ঠজনৰ সৈতে কেনেকুৱা আচৰণ কৰিব লাগে, কনিষ্ঠজনৰ সৈতে কিদৰে আচাৰ-ব্যৱহাৰ কৰিব লাগে সেই বিষয়ে যথা সময়ত আয়ত্ব কৰিব নোৱাৰে। কেতিয়াবা পিতৃ-মাতৃ, অভিভাৱকসকল ঘৰত নথকা অৱস্থাত যদি কোনো আলহী অতিথি ঘৰলৈ আহে তেন্তে তেওঁলোকৰ লগত কেনেদৰে কথা বতৰা পাতিব লাগে সেইখিনিও নাজানে, কোনোবাই ফোন কৰিলে ফোনটো গ্ৰহণ কৰি কেনেদৰে কথা বতৰা পাতিব লাগে সেইখিনিও নাজানে। যেতিয়া পিছৰ শৈক্ষিক জীৱনত বাহিৰত থাকি ভাড়াঘৰত অথবা ছাত্ৰাবাসত থাকি তেওঁলোকে পঢ়া শুনা কৰিবলগীয়া হয় তেনেস্থলত তেওঁলোকে বহু অসুবিধাৰো মুখামুখি হ'বলগীয়া হয়। মানুহৰ ব্যৱহাৰিক অথবা বাস্তৱ জীৱনটো সুকীয়া। কেৱল মানুহে কিতাপ পঢ়ি পঢ়ি কেৱল নম্বৰ লাভৰ বাবে চিন্তা কৰি থাকিলে মানুহে জীৱনলৈ আহি থকা বিভিন্ন সমস্যা, পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ অসুবিধা হয়। ভাল কলেজ এখনত অধ্যয়ন কৰিবলৈ, কোনো পাঠ্যক্ৰম এটাত ছিট এটা যোগাৰ কৰিবলৈ মানুহক অৰ্থাৎ ছাত্ৰ-ছাত্ৰীক এক নিৰ্দিষ্ট নম্বৰৰ প্ৰয়োজন হয় কিন্তু নম্বৰেই জীৱন নহয়। বাস্তৱ জীৱনত বহু ব্যৱহাৰিক জ্ঞানৰ প্ৰয়োজন হয় যিখিনি মানুহে দৈনন্দিন জীৱনৰ বিভিন্ন কৰ্মৰাজী আৰু অভিজ্ঞতাৰ জৰিয়তে আহৰণ কৰে। গতিকে এই কথাখিনি ছাত্ৰ-ছাত্ৰীয়ে সিমান বেছিকৈ উপলব্ধি কৰিব নোৱাৰিব পাৰে কিন্তু অভিভাৱক সকলৰ তেওঁলোকক জনাই বুজাই দিয়াটো দায়িত্ব। জ্যেষ্ঠসকলে কনিষ্ঠসকলৰ মনত এনে ধাৰণাৰ জন্ম হলেও এয়া পৰিবৰ্তন কৰিব লাগিব।

## সাহিত্য হ'ল প্ৰতিটো

হিচাপে জনমানসত পৰিচিত। যি সকলে তেখেতৰ লেখা পঢ়িছে তেওঁৰ লেখাই পাঠকৰ মনত যথেষ্ট প্ৰভাৱিত কৰে। কণ্ঠশিল্পীৰূপে প্ৰতিভাৰ বলিষ্ঠ স্বাক্ষৰ ৰাখিলেও য়েছে দৰজে ঠংচিয়ে পোনতে কবিতাৰ মাজেৰেহে সাহিত্যৰ পথাৰত খোজ দিছিল। আৰম্ভণিতে ৰচনা কৰা কবিতাটো তেতিয়াৰ শিশু আলোচনী জোনবাইত প্ৰকাশ হৈছিল, যাৰ শিৰোনাম আছিল “জোনবাই”।

গতিকে একোটা জাতিৰ পৰিচয় বহন কৰে সেই জাতিটোৰ ভাষা সাহিত্য - সংস্কৃতিৰ জৰিয়তে ।আমাৰ দেশ ভাৰতবৰ্ষত বাস কৰা প্ৰতিখন ৰাজ্যৰ বাসিন্দাৰ ভাষা-সংস্কৃতি বেলেগ বেলেগ ।আমাৰ অসম আৰু ওচৰ চুবুৰীয়া সাতখন ৰাজ্যৰ ভাষা সংস্কৃতি বেলেগ বেলেগ।

বৰ্তমান বিশ্বায়নৰ যুগ। সময়ৰ লগে লগে মানুহৰ ধ্যান - ধাৰণা, ৰুচি- অভিৰুচি সলনি হৈছে। সময়ৰ লগে লগে ভাৱধাৰা-সংস্কৃতিৰ প্ৰভাৱ সকলোৱে আকোৱালি লৈছে, এয়া শুভ লক্ষণ। সকলো একত্ৰিত হৈ নিজৰ সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰা ভাল কথা।

বিশ্বয়ানৰ প্ৰভাৱে থলুৱা খোৱা-বোৱা, পিন্ধা-উৰা সকলোতে পশ্চিমীয়া বতাহে স্পৰ্শ কৰিছে। ফাছফুড, জুছ ইত্যাদি খাদ্যৰ প্ৰতি মানুহৰ স্পৃহা বাঢ়ি যোৱা দেখিবলৈ পাইছোঁ। মেখেলা-চাদৰ, ধুতি ইত্যাদিৰ ঠাইত চুৰিদাৰ, স্কাৰ্ট, টপ, লংপেন্ট ইত্যাদি সাজপাৰৰ প্ৰচলন বেছি হ'ল। ঠিকে আছে সময়ে বাধ্য কৰিলেও আমাৰ থলুৱা সাজপাৰ খিনি জাতীয় উৎসৱ বা সামাজিক ৰীতি- নীতিত ব্যৱহাৰ কৰিব লাগিব। বিশ্বায়নৰ প্ৰয়োভৰত আমাৰ সংস্কৃতি যাতে উটি ভাঁহি নাযায় তালৈও লক্ষ্য ৰাখিব লাগিব। থলুৱা খাদ্যাভাস পৰম্পৰা ৰীতি- নীতি আদিক ধৰি ৰাখিব লাগিব কিন্তু কু-সংস্কাৰ অন্ধ বিশ্বাস আদিক সমাজৰ পৰা মোহাৰি পেলাব লাগিব।

# গুৱাহাটীত মহিলা

১০০ টকা। অনুৰাগীৰ বাবে অনুকূল মূল্য নিৰ্ধাৰণৰ লক্ষ্য হৈছে ষ্টেডিয়ামত উৎসাহী ভিৰ নিশ্চিত কৰাৰ বাবে। বৃহস্পতিবাৰে আইচিচিয়ে এইদৰে ঘোষণা কৰে। ষ্টেডিয়ামত দৰ্শকৰ ভিৰ আৰু দৰ্শকক উৎসাহিত কৰিবলৈ এইদৰে নিম্নমানৰ মূল্য নিৰ্ধাৰণ কৰা হৈছে। ক্ৰিকেট অনুৰাগীয়ে Google Payৰ জৰিয়তে টিকট ক্ৰয় কৰিব বাবে পাৰিব। টিকট বিক্ৰী ৪ ছেপ্টেম্বৰৰ সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হৈছে। Google Pay ব্যৱহাৰকাৰীসকলৰ Tickets.cricketworldcup.comৰ জৰিয়তে বিশেষ চাৰিদিনৰ প্ৰাক বিক্ৰী সময়সীমাৰে ৮ ছেপ্টেম্বৰত ৭ বজাত সামৰণি পৰিব। আইচিচিয়ে গুৱাহাটীত আয়োজিত এই উদ্বোধনী অনুষ্ঠান বৰ্ণময় আৰু সাংস্কৃতিক তথা সংগীতৰ উৎসৱ হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। আইচিচি মহিলা ক্ৰিকেট বিশ্বকাপ ভাৰতত ১২ বছৰ পিছত অনুষ্ঠিত হ'ব। গ্ৰুপ পৰ্যায়ৰ খেলসমূহৰ দ্বিতীয় পৰ্যায়ৰ টিকট বিক্ৰী ৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব।

# মুম্বাইত ৪০০ কেজি

ভাবুকি প্ৰদান কৰিছে। হোৱাটছএপ বাৰ্তাটোত এইবুলিও ভাবুকি প্ৰদান কৰা হৈছে যে ইতিমধ্যে ১৪ পাকিস্তানী সন্ত্ৰাসবাদীয়ে ভাৰতত প্ৰৱেশ কৰিছে। লক্ষণীয় যে দেশৰ প্ৰান্তে প্ৰান্তে ই- মেইলযোগে বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি দিয়া স্বাভাৱিক ঘটনাত পৰিণত হৈছে যদিও মায়ানগৰী মুম্বাইক উৰুৱাই দিয়াৰ ভাবুকিক সহজভাৱে লোৱা নাই আৰক্ষীয়ে। হোৱাটছএপ বাৰ্তাক পুংখানুপুংখ অধ্যয়ন কৰি মায়ানগৰী মুম্বাইৰ সন্দেহজনক অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰি মুম্বাই আৰক্ষীয়ে সমগ্ৰ চহৰখনৰ স্থিতি সূক্ষ্ম নিৰীক্ষণ চলাই আহিছে। মুম্বাই আৰক্ষীয়ে সজাগ হৈ নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰাৰ লগতে ভাবুকিক সকলো দিশেৰে তদন্ত চলাই আছে। এক বিবৃতিত মুম্বাই আৰক্ষীয়ে কয় যে, মুম্বাইৰ যান-বাহন আৰক্ষীয়ে তেওঁলোকৰ অফিচিয়েল হোৱাটছএপ নম্বৰত এই ভাবুকি লাভ কৰিছিল। আৰক্ষীয়ে জনোৱা মতে, "এই ভাবুকিটোত এটা দাবী কৰা হৈছে যে সমগ্ৰ চহৰখনতে ৩৪খন বাহনত ৩৪টা 'মানৱ বোমা' স্থাপন কৰা হৈছে আৰু এই বিস্ফোৰণে সমগ্ৰ মুম্বাইক জোকাৰি যাব। 'লস্কৰ-ঈ-জেহাদী' বুলি দাবী কৰা সংগঠনটোৱে কয় যে ১৪টা পাকিস্তানী সন্ত্ৰাসবাদী ভাৰতত প্ৰৱেশ কৰিছে।"

# চীনৰ ঘনঘোৰ অন্ধকাৰত

হেৰুৱালোঁ। সামাজিক মাধ্যম ট্ৰুথত মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়- গভীৰতম আন্ধাৰ চীনৰ হাতত আমি ভাৰত আৰু ৰাছিয়াক হেৰুৱাইছোঁ। আশা কৰোঁ তেওঁলোকে দীৰ্ঘ আৰু সমৃদ্ধিশালী ভৱিষ্যতেৰে একেলগে আগবাঢ়ি যাওক। উল্লেখ্য যে এছচিঅ' সন্মিলনৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে চীনৰ ৰাষ্ট্ৰপতি জিনপিঙৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ পাছত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হৈছিল। তিনি নেতাৰ একত্ৰিত আলোকচিত্ৰ বিশ্বজুৰি ব্যাপক চৰ্চা আৰম্ভ হৈ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আধিপত্যবাদক উৎখাত কৰিবলৈ তিনি বৃহৎ শক্তি মিলিত হোৱা বুলি আন্তৰ্জাতিক সংবাদ মেলখনত প্ৰতিবেদন প্ৰকাশ পায়। প্ৰথম অৱস্থাত মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে এই বিষয়টোক লৈ কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাছিল যদিও সামাজিক মাধ্যমত ট্ৰাম্পে চীনৰ হাতত ভাৰত আৰু ৰাছিয়াক হেৰুৱাইছোঁ বুলি কৰা মন্তব্যই আলোড়ন তুলিছে।

# জালুকবাৰীত চাৰি

আৰক্ষীয়ে কয় যে, আমি নিজাববীয়াকৈ গোচৰ ৰুজু কৰিম। তেওঁলোকক আদালতত হাজিৰ কৰোৱাৰ পাছতে জিম্মাত লোৱা হ'ব। তেওঁলোকক সোধা-পোছা কৰাৰ অন্তত অধিক তথ্য পোহৰলৈ আহিব। তেওঁলোকৰ লগত কোন কোন জড়িত আছে সেই তথ্য উলিয়াবৰ চেষ্টা কৰা হ'ব বুলিও কয় আৰক্ষী বিষয়া গৰাকীয়ে।

# ট্ৰাম্পক পুনৰ সকীয়নি

ভাৰতৰ ওপৰত ৫০ শতাংশ অতিৰিক্ত শুল্ক আৰোপ কৰে। এই শুল্ক বোজাৰ পিছতো ভাৰতে বাণিজ্যৰ বিকল্প পথ বিচাৰিছিল। দেশখনে ৰাছিয়াৰ সৈতে অধিক বাণিজ্যৰ লগতে চীনৰ সৈতে ইয়াৰ ঘনিষ্ঠতাও বৃদ্ধি কৰিছে। শেহতীয়াকৈ চীনৰ টিয়ানজিনত অনুষ্ঠিত এচিঅ' সন্মিলনৰ সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিং আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ ত্ৰিপাক্ষিক বৈঠকে কাৰ্যতঃ ট্ৰাম্পক এক সকীয়নি বাৰ্তা দিলে।

# বন্ধুক হত্যা কৰি পেলাই

নিৰ্মাণকাৰ্যত ঠিকাদাৰ হিচাপে কাম কৰা ৰফিকুল ইছলামে ৰাজমিস্ত্ৰী হিচাপে নিয়োগ কৰিছিল ৰিয়াজ আলীক। দীৰ্ঘ সময় ধৰি দুয়োজনে কাম কৰাৰ পাছত কালি নিশাৰ পৰা হঠাত নিৰুদ্দেশ হৈ পৰে ৰিয়াজ আলী। বাৰম্বাৰ পৰিয়ালে যোগাযোগ কৰিও কোনো তথ্য লাভনকৰাত এই সন্দৰ্ভত গড়চুক আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে ৰিয়াজ আলীৰ সৈতে একেলগে থকা ৰফিকুল ইছলামক জেৰা চলোৱাত সমগ্ৰ তথ্য পোহৰলৈ আহে। জানিব পৰা মতে, নৃশংসভাৱে ৰিজায় আলীক হত্যা কৰাৰ পাছত ৰফিকুল ইছলামে মৃতদেহটো এখন বস্তাৰ ভিতৰত সুমুৱাই বশিষ্ঠ নৈত উটুৱাই দিয়ে। কিন্তু আৰক্ষীয়ে চলোৱা জেৰাত প্ৰথমাৱস্থাত ৰফিকুল ইছলামে সতীৰ্থ ৰিয়াজ আলীয়ে আত্মহত্যা কৰিছিল বুলি মন্তব্য কৰি ভয়তে বস্তাত ভৰাই পেলাই দিয়া বুলি আৰক্ষীক বিভ্ৰান্ত কৰি আহিছিল। কিন্তু আৰক্ষীৰ মাৰাথন জেৰাত ৰফিকুলে ৰিয়াজক হত্যা কৰি বস্তাত বান্ধি বশিষ্ঠ নদীত পেলাই দিয়াৰ কথা স্বীকাৰ কৰে। আৰক্ষীয়ে এছডিআৰএফৰ সহযোগত বশিষ্ঠ নৈত ৰিয়াজৰ মৃতদেহ বিচাৰি অভিযান চলায় যদিও মৃতদেহ উদ্ধাৰ কৰিব পৰা নাই।

# ঢেকীয়াজুলিত উদ্যমিতা

দিয়াৰ পিছত মহিলাসকলে বিভিন্ন উৎপাদনশীল কাম-কাজ সুচাৰুৰূপে কৰিবলৈ সক্ষম হৈছিল। এনে বহু গোটে বেংকৰ পৰাও ঋণ লৈছে। আত্মসহায়ক গোটৰ মহিলাসকলে বেংকৰ পৰা ১৬ হাজাৰ কোটি টকা ঋণ লৈছে আৰু ৯৯ শতাংশ মহিলাই বেংকক ঋণৰ ধন ওভতাই দিছে। মহিলাসকলক সুবিধা দিলে ৪০ লাখ মহিলাই 'লাখপতি বাইদেউ'ৰ শ্ৰেণীলৈ উন্নীত হ'ব পাৰিব। মহিলাসকলে ঘৰত মৌমাখি পালন, দুগ্ধ উৎপাদন, পিঠা-পনাৰ ব্যৱসায় কৰিব পাৰে বা পৰিয়ালৰ ব্যৱসায়ত নিজকে জড়িত কৰিব পাৰে। আত্মসহায়ক গোটসমূহলৈ ৰাজ্য চৰকাৰে সহায় আগবঢ়াই থাকিব। কিন্তু গাইগুটীয়াকৈ মহিলাসকলক ব্যৱসায় বা উৎপাদনমূলক কামত জড়িত হোৱাত সহায় কৰিবলৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান গ্ৰহণ কৰা হৈছে। প্ৰায় ৩২ হাজাৰ মহিলা সমৱেত হোৱা সভাখনত মুখ্যমন্ত্ৰীয়ে চৰকাৰৰ পৰা পাবলগীয়া ধনখিনি উপাৰ্জনমূলক কামত খৰচ কৰিবলৈ আহ্বান জনাই কয় যে একোটা আত্মসহায়ক গোটৰ ১০গৰাকী মহিলাই ধনখিনি গোটৰ একাউণ্টত জমা কৰি আৰু বেংকৰ পৰা অতিৰিক্ত ঋণ লৈ উৎপাদনমূলক কাম বা ব্যৱসায় কৰিব পাৰে। ইচ্ছা কৰিলে মহিলাগৰাকীয়ে নিজাকৈ উপাৰ্জনমুখী কামতো ধনখিনি ব্যৱহাৰ কৰিব পাৰে নতুবা স্বামী বা পৰিয়ালৰ ব্যৱসায়তো মহিলাগৰাকীয়ে ধনখিনি খৰচ কৰিব পাৰে। এই তিনিটা পথৰ যিকোনো এটাৰে ধনখিনি খৰচ কৰিলে অহা বছৰ বেংকৰ সহযোগত পুনৰ ২৫ হাজাৰকৈ টকা দিয়া হ'ব আৰু ২৫ হাজাৰ টকাও উৎপাদনমূলক কামত খৰচ কৰিলে পিছৰ পৰ্যায়ত ৫০ হাজাৰ টকাকৈ দিয়া হ'ব। তেওঁ লগতে কয় যে প্ৰতিগৰাকী মহিলাক ১০ হাজাৰ টকাকৈ 'বীজ ধন' হিচাপে প্ৰদানৰ বাবদ এই আঁচনিখন ৰূপায়ণ কৰোঁতে ৰাজ্য চৰকাৰৰ ৪ হাজাৰ কোটি টকা খৰচ হ'ব। আনহাতে, উদ্যমী মহিলাসকলক অহা বছৰ ২৫ হাজাৰ টকাকৈ দিলে চৰকাৰক লাগিব ১০ হাজাৰ কোটি টকা আৰু ৫০ হাজাৰ টকাকৈ দিলে খৰচ হ'ব ২৫ হাজাৰ কোটি টকা। ছোৱালী আৰু মহিলাৰ উন্নয়ন আৰু নিৰাপত্তাৰ বাবে যোৱা চাৰে চাৰি বছৰত অসম চৰকাৰে নিৰন্তৰ কাম কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী হিচাপে আমাৰ কাৰ্যকালত বাল্যবিবাহ বন্ধ কৰাৰ চেষ্টা কৰা হৈছে, নিযুত মইনা আঁচনি ৰূপায়ণৰ দৰে বহু আঁচনি আৰু পদক্ষেপ গ্ৰহণ কৰা হৈছে। অহা ১৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ দিনা অৰুণোদয়-৩.০ ৰ অধীনত মহিলাসকলক মাহিলি ১, ২৫০ টকাকৈ দিয়াৰ পদক্ষেপ লোৱা হৈছে। অৰুণোদয় পৰিয়ালে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয়ৰ বাবে চৰকাৰৰ পৰা ২৫০ টকাকৈ ৰাজসাহায্য পাব। ৰেচন কাৰ্ড থকাসকলক নৱেম্বৰৰ পৰা চাউলৰ লগতে সুলভ মূল্যত দাইল, চেনি আৰু নিমখ দিয়া হ'ব। পৰিয়ালৰ পুৰুষসকলৰ পৰিৱৰ্তে মহিলাসকলক চৰকাৰে ধন দিয়াৰ যুক্তি দাঙি ধৰি তেওঁ কয় যে মহিলাসকলক ধন দিলে সেই ধনৰ ১০০ শতাংশই ঘৰৰ বাবে খৰচ হয়। কিন্তু পুৰুষে চৰকাৰৰ পৰা পোৱা ধনৰ কিছু অংশ নিজৰ বাবেও খৰচ কৰে। এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল, সাংসদ ৰঞ্জিত দত্ত, বিধায়কদ্বয় গণেশ লিম্বু, পৃথ্বিৰাজ ৰাভা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ প্ৰমুখ্যে কেই বাগৰাকীও শীৰ্ষ বিষয়া আৰু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# এনআইআৰএফ ৰেংকিঙত নৱম

ওচমানিয়া বিশ্ববিদ্যালয়ে সপ্তম, শ্ৰীনগৰৰ কাশ্মীৰ বিশ্ববিদ্যালয়ে অষ্টম আৰু কইম্বাটুৰৰ ভাৰতীয়াৰ বিশ্ববিদ্যালয়ে দশম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে এনআইআৰএফৰ অভিযান্ত্ৰিক শাখাত শ্ৰেষ্ঠ ১০খন প্ৰতিষ্ঠানৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে গুৱাহাটীস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আইআইটি)-এ। এই শাখাত প্ৰতিষ্ঠানখনে অষ্টম স্থান লাভ কৰিছে। আনহাতে অভিযান্ত্ৰিক শাখাত মাদ্ৰাজ আইআইটিয়ে প্ৰথম, দিল্লী আইআইটিয়ে দ্বিতীয়, বম্বে আইআইটিয়ে তৃতীয়, কানপুৰ আইআইটিয়ে চতুৰ্থ, খড়গপুৰ আইআইটিয়ে পঞ্চম, ৰুৰকীৰ আইআইটিয়ে ষষ্ঠ, হায়দৰাবাদৰ আইআইটিয়ে সপ্তম, তিৰুচিৰপল্লী এনআইটিয়ে নৱম আৰু বাৰাণসীৰ আইআইটিয়ে দশম স্থান লাভ কৰিছে। উল্লেখ্য যে একেৰাহে সপ্তম বছৰৰ বাবে সামগ্ৰিকভাৱে সকলো শাখাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে আইআইটি মাদ্ৰাজে। একেখন প্ৰতিষ্ঠানে অভিযান্ত্ৰিক শাখাত একেৰাহে ১০ বছৰৰ বাবে এইবাৰো শীৰ্ষস্থান দখল কৰিছে। সেইদৰে একেৰাহে দশম বৰ্ষৰ বাবে বেংগালুৰুস্থিত ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানে শীৰ্ষ বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিছে। আইআইএম আহমেদাবাদেও মেনেজমেণ্ট শাখাত একেৰাহে ষষ্ঠ বছৰৰ বাবে শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছে। ২০১৮ বৰ্ষৰ পৰা চলিত বৰ্ষলৈকে একেৰাহে অষ্টম বৰ্ষৰ বাবে চিকিৎসা বিজ্ঞান শাখাত শীৰ্ষস্থান লাভ কৰিছে নতুন দিল্লীস্থিত এইমছে। দেশৰ শ্ৰেষ্ঠ ১০খন কলেজৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কলেজ হিচাপে স্বীকৃতি লাভ কৰিছে হিন্দু কলেজে। আইন শাখাত বেংগালুৰুস্থিত নেচনেল ল' স্কুল অৱ ইণ্ডিয়া ইউনিভাৰ্ছিটীয়ে একেৰাহে অষ্টম বৰ্ষৰ বাবে শীৰ্ষস্থান দখল কৰিছে। কৃষি আৰু সংলগ্ন খণ্ডত নতুন দিল্লীস্থিত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানে একেৰাহে শীৰ্ষস্থান আৰু মুক্ত বিশ্ববিদ্যালয় শাখাত নতুন দিল্লীস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে শীৰ্ষস্থান লাভ কৰিছে। উদ্ভাৱনী শাখাত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, মাদ্ৰাজে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। এই উপলক্ষে নতুন দিল্লীত আয়োজিত এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয় যে এনআইআৰএফ ২০২৫-এ আমাৰ প্ৰতিষ্ঠানসমূহৰ শক্তি আৰু শিক্ষাৰ্থীসকলৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতি প্ৰদৰ্শন কৰিছে।

# ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ ৭৯০ পৃষ্ঠাৰ

আটাইকেইজনে ৰাজা ৰঘুবংশীক হত্যা কৰাৰ ক্ষেত্ৰত সোনমক প্ৰত্যক্ষভাৱে সহায় কৰাৰ কথা চাৰ্জশ্বীটত উল্লেখ কৰা হৈছে। সম্প্ৰতি ন্যায়িক জিম্মাত থকা এই ৫ অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩(১) ধাৰাৰ অধীনত হত্যা, ২৩৮(এ) ধাৰাত তথ্য-প্ৰমাণ লুকুওৱা, ৬১ (২) ধাৰাত অপৰাধমূলক ষড়যন্ত্ৰ ৰচনাৰ অপৰাধ আৰোপ কৰিছে মেঘালয় আৰক্ষীৰ এছআইটিয়ে। তদুপৰি ভাৰতীয় ন্যায় সংহিতাৰ আন কেইবাটাও গোচৰো অভিযুক্তসকলৰ বিৰুদ্ধে আৰোপ কৰা হৈছে। পূব খাচি পাহাৰ জিলাৰ আৰক্ষী অধীক্ষক বিবেক চিয়েমে সংবাদ মাধ্যমত প্ৰকাশ কৰা অনুসৰি এই হত্যাকাণ্ডটোত সহযোগিতা কৰা আন তিনিজন অভিযুক্তৰ বিৰুদ্ধে আদালতত দাখিল কৰা হ'ব অতিৰিক্ত চাৰ্জশ্বীট। অৱশ্যে পৰৱৰ্তী ফৰেনছিক প্ৰতিবেদনৰ ভিত্তিতহে এই অতিৰিক্ত চাৰ্জশ্বীট প্ৰস্তুত কৰা হ'ব। সম্প্ৰতি জামিনত মুকলি হৈ থকা এই তিনি অভিযুক্ত হ'ল- মাটি-ঘৰ বিক্ৰীৰ ব্যৱসায়ত জড়িত চিলম জেমছ, ইন্দোৰত সোনমৰ বাবে ৰাজ কুছৱাহাই ভাৰাত লোৱা ফ্লেটৰ মালিক লোকেন্দ্ৰ টোমৰ আৰু এপাৰ্টমেন্টটোত নিৰাপত্তাৰক্ষীৰ দায়িত্বত থকা বলবীৰ আহিৰৱাড়া। ৰাজা ৰঘুবংশীক হত্যা কৰাৰ পিছত শ্বিলং-গুৱাহাটী হৈ ইন্দোৰলৈ পলাই গৈ আত্মগোপন কৰাৰ ক্ষেত্ৰত তিনিওজনে সোনমক সহায় কৰিছিল। লগতে হত্যাকাণ্ডৰ তথ্য-প্ৰমাণ নষ্ট কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰো অভিযোগ আছে তিনিওজনৰ বিৰুদ্ধে। উল্লেখ্য যে ইন্দোৰৰ ট্ৰেন্সপ'ৰ্ট ব্যৱসায়ী ৰাজা ৰঘুবংশী আৰু সোনমৰ মাজত যোৱা ১১ মে'ত বিবাহ সম্পন্ন হৈছিল। তাৰ পাছত তেওঁলোকে মা কামাখ্যাৰ আশীৰ্বাদ লোৱাৰ কাৰণে গুৱাহাটীলৈ আৰু মধুচন্দ্ৰিকাৰ বাবে মেঘালয়লৈ অহাৰ সিদ্ধান্ত লয়। সেই অনুসৰি যোৱা ২০ মে'ত ইন্দোৰৰ পৰা আহি গুৱাহাটীত উপস্থিত হোৱা নৱদম্পতী ২১ মে'ত মা কামাখ্যা মন্দিৰ দৰ্শন কৰিছিল। ইয়াৰ পিছত দুয়ো চেৰাপুঞ্জী-চোহৰা এলেকাৰ মাৱালাখিয়াট গৈ পাইছিল যোৱা ২২ মে'ত। সেইদিনা নিশাটো তেওঁলোকে কটায় ননগ্ৰিয়াটস্থিত চিপ্ৰা নামৰ এটা হোমস্টেত। ইয়াৰ পিছদিনা অৰ্থাৎ ২৩ মে'ৰ পুৱাৰ ভাগত হোমষ্টেৰ পৰা চেকআউট কৰি ভাৰাত লোৱা এখন স্কুটীৰে মাৱালাখিয়াট গাঁৱৰ পাহাৰীয়া অঞ্চলত ট্ৰেকিঙৰ বাবে যায় নৱদম্পতী। সেইদিনাই অন্তিমবাৰৰ বাবে ফোনযোগে সোনমৰে বাৰ্তালাপ কৰিছিল শাহুৱেকে। তাৰ পাছতে দুয়ো ৰহস্যজনকভাৱে সন্ধানহীন হৈ পৰে। অৱশ্যে যোৱা ২৪ মে'ত শ্বিলং-চোহৰা পথৰ এখন কেফেৰ কাষত উদ্ধাৰ হৈছিল দুয়োৰে ভাৰাত লোৱা স্কুটীখন। ইতিমধ্যে বিষয়টো সন্দৰ্ভত পূব খাচিপাহাৰ জিলা আৰক্ষীয়ে স্থানীয় লোকৰ সহযোগত উদ্ধাৰ অভিযান চলায় যদিও সফল হোৱা নাছিল। তাৰ মাজতো যোৱা ২ জুনত মাৱকমা গাঁৱৰ এটা গিৰিখাদত উৰলি যোৱা অৱস্থাত উদ্ধাৰ হয় ৰাজা ৰঘুবংশীৰ মৃতদেহ। মৃতদেহৰ কাষতে পৰিত্যক্ত অৱস্থাত আছিল এখন দা, এটা ম'বাইল ফোন, এটা স্মাৰ্ট ঘড়ীকে ধৰি কেতবোৰ সামগ্ৰী। কিন্তু ৰাজা ৰঘুবংশীৰ সোণৰ অলংকাৰ, মানীবেগ আৰু ম'বাইল ফোনটো ঘটনাস্থলীত নাছিল। প্ৰাৰম্ভিকভাৱে এই দিশৰ পৰা এয়া এক ডকাইতি আৰু ডকাইতে ৰাজা ৰঘুবংশীক হত্যা কৰা বুলি সন্দেহ কৰা হৈছিল যদিও আশ্চৰ্যজনকভাৱে সোনম শুংসূত্ৰবিহীন হৈ পৰাক কেন্দ্ৰ কৰি তীব্ৰ ৰহস্যৰ সৃষ্টি হয়। বিশেষকৈ ৰাজা ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰৰ পাছতে মেঘালয় আৰক্ষী অধিক সক্ৰিয় হৈ পৰে। ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ড আৰু সোনম নিৰুদ্দেশ হৈ থকা গোচৰটোৰ তদন্ত কৰিবলৈ এটা এছআইটি গঠন কৰা হয়। এই এছআইটিয়ে ১৬দিনীয়া ৰহস্যৰ যৱনিকা পেলাই যোৱা ৮ জুনৰ নিশা উত্তৰ প্ৰদেশৰ গাজীপুৰ জিলাৰ অন্তৰ্গত নন্দগঞ্জ থানা এলেকাৰ এখন ধাবাত জালত পেলাবলৈ সক্ষম হয় সোমনক। প্ৰথম অৱস্থাত আত্মগোপন কৰা সোনমক পিছত এছআইটিয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ সমান্তৰালভাৱে এছআইটিয়ে উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশত অভিযান চলাই গ্ৰেপ্তাৰ কৰে সোনমৰ অবৈধ প্ৰেমিক ৰাজ কুছৱাহা, ছুপাৰি কিলাৰ আকাশ ৰাজপুত, আনন্দ কুৰ্মী আৰু বিশাল সিং চৌহানকো। ৫ অভিযুক্তকে ট্ৰেনজিট ৰিমাণ্ডত আনি শ্বিলঙত মাৰাথন জেৰাই চলায় এছআইটিয়ে। এই জেৰাকালতে কাৰ্যতঃ ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ডৰ ৰহস্যৰ ওৰ পৰে। নৱদম্পতীয়ে ইণ্ডোৰৰ পৰা গুৱাহাটী হৈ মেঘালয়লৈ যোৱাৰ সমানে সোনমৰ অবৈধ প্ৰেমিক ৰাজ কুছৱাহাই প্ৰেৰণ কৰা তিনি ছুপাৰি কিলাৰো তেওঁলোকৰ আশে-পাশে অৱস্থান কৰিছিল। ২২ মে'ৰ নিশাটো ৰাজা ৰঘুবংশী-সোনমে কটোৱা ননগ্ৰিয়াটৰ হোমষ্টেটোৰ কাষৰে এখন হোটেলত আছিল তিনি ছুপাৰি কিলাৰ। পূব খাচিপাহাৰ জিলাৰ আৰক্ষী অধীক্ষক বিবেক চিয়েমে ইতিপূৰ্বে সংবাদ মাধ্যমৰ আগত সদৰী কৰা অনুসৰি ২৩ মে'ত চোহৰাৰ উম্বলাইৰ বিয়াট আলিয়াং পাৰ্কিং লটৰ ৱেইছ'ডং জলপ্ৰপাতৰ সমীপতে দাৰে ঘপিয়াই অতি নৃশংসভাৱে ৰাজা ৰঘুবংশীক হত্যা কৰা হৈছিল। চোহৰাৰ ন্যায়িক দণ্ডাধীশৰ আদালতত এছআইটিয়ে দাখিল কৰা ৭৯০ পৃষ্ঠাজোৰা চাৰ্জশ্বীটৰ প্ৰতিটো পৃষ্ঠাতে হত্যাকাৰীৰ স্বীকাৰোক্তিৰ ভিত্তিত বহু বিস্ফোৰক তথ্য সন্নিৱিষ্ট কৰা হৈছে।

# ভাৰতৰ কঠোৰ স্থিতিত সুৰ

কৰণত গুৰুত্ব আৰোপ কৰে ভাৰতে। প্ৰধানমন্ত্ৰী মোদীয়ে চীন ভ্ৰমণলৈ গৈ চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সমান্তৰালকৈ টিয়ানঝিনত আয়োজিত এছচিঅ' সন্মিলনৰ সময়তে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয় প্ৰধানমন্ত্ৰী মোদী। বিশ্বৰ তিনি বৃহত্তম শক্তি একলগ হোৱাত মাৰ্কিন যুক্তৰাষ্ট্ৰ শংকিত হৈ পৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পে নিজেই সামাজিক মাধ্যম ট্ৰুথৰ যোগেদি মোদী, জিনপিং আৰু পুটিনৰ আলোকচিত্ৰ প্ৰচাৰ কৰি চীনৰ ঘোৰ অন্ধকাৰত ভাৰত আৰু ৰাছিয়াক হেৰুওৱা বুলি স্বীকাৰ কৰে। ইয়াৰ কেইঘণ্টামান পাছতে মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে সুৰ সলনি কৰি ভাৰত আৰু আমেৰিকাৰ সম্পৰ্ক, প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বন্ধুত্বক লৈ সামাজিক মাধ্যম ট্ৰুথত মন্তব্য প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সুৰ সলনি হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ-ভাৰতৰ সম্পৰ্ক বিশেষ আৰু প্ৰধানমন্ত্ৰী মোদীৰ সৈতে তেওঁৰ ব্যক্তিগত সম্পৰ্ক শক্তিশালী বুলি মন্তব্য কৰে। ট্ৰাম্পে কয়- মই সদায়ে মোদীৰ সৈতে বন্ধু হৈ থাকিম। তেওঁ এগৰাকী মহান প্ৰধানমন্ত্ৰী। মই সদায়ে তেওঁৰ বন্ধু হৈ থাকিম। কিন্তু মই পছন্দ নকৰোঁ এই বিশেষ ক্ষণত তেওঁ কি কৰি আছে। কিন্তু ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক বিশেষ সম্পৰ্ক আছে। ইয়াক লৈ উদ্বিগ্ন হোৱাৰ কাৰণ নাই। সময়ৰ ক্ষণত আমি। ইপিনে ট্ৰাম্পৰ এই বাৰ্তাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে কয়- ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সংবেদনশীলতা আৰু আমাৰ সম্পৰ্কৰ ইতিবাচক মূল্যায়নক লৈ তেওঁক মই গভীৰভাৱে প্ৰশংসা কৰিছোঁ। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ অত্যন্ত ইতিবাচক, ব্যাপক আৰু আন্তৰ্জাতিক কৌশলগত অংশীদাৰিত্বৰে আগবাঢ়ি যোৱাৰ পথত। উল্লেখ্য যে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি ট্ৰাম্পৰ মাজত ঘনিষ্ঠ বন্ধুত্ব থকা বুলি বিশ্বজুৰি জ্ঞাত। চলিত বৰ্ষত প্ৰধানমন্ত্ৰী মোদীয়ে হোৱাইট হাউছ ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে 'আৱাৰ জানী টুগেদাৰ' শীৰ্ষক এখন গ্ৰন্থ মোদীক উপহাৰ দিছিল। সেই গ্ৰন্থখনত দুয়োগৰাকী নেতাৰ পূৰ্বৰ বিভিন্ন আলাপৰ লগতে কাৰ্যসূচীও সন্নিৱিষ্ট কৰা আছিল।

# মাজুলী জিলা কৃষি

বুলি উল্লেখ কৰে আৰু মাজুলীৰ কৃষকসকলে মাশ্বৰোমৰ বজাৰ নাপালে তেওঁ ক্ৰয় কৰিব বুলি উল্লেখ কৰে। বিশিষ্ট মাশ্বৰোম উৎপাদনকাৰী মাধুৰীমা দত্তই নিজেই মাশ্বৰোমৰ পৰা বিস্কুট, আচাৰ, কেক আদিও প্ৰস্তুত কৰি আছে বুলি প্ৰশিক্ষণত প্ৰকাশ কৰে। প্ৰশিক্ষণত মুখ্য অতিথি হিচাপে মাজুলী জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজাই মাশ্বৰোম খেতিয়কৰ বাবে থকা চৰকাৰী সাহায্য সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায় আৰু মাশ্বৰোম খেতিৰ মূল্য সংযোজন, মাশ্বৰোমৰ সংৰক্ষণ আৰু বজাৰ দখলৰ বিভিন্ন কৌশলসমূহ ব্যাখ্যা কৰে। নামনি মাজুলীৰ ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলৰ লগত সমল ব্যক্তি মাধুৰীমা দত্তই মত বিনিময়ও কৰে। অনুষ্ঠানত স্বেচ্ছাসেৱী সংগঠন আয়াং ট্ৰাষ্টৰ কৰ্মচাৰীয়েও অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ শলাগ জ্ঞাপন কৰে মাশ্বৰোম কৃষক মনোজ দাসে।

# দিব্যাংগ নাট্য বিদ্যালয়ৰ

এক সপোন সমাজ আৰু ঘৰখনৰ পৰা বহু অৱহেলিত দিব্যাংগ শিশু, ব্যক্তি সকলক নাটক চিনেমা সাংস্কৃতিক দিশৰ লগতে স্বাৱলম্বী ব্যক্তি হিচাপে সমাজৰ মাজলৈ আগবঢ়ায় নিয়াৰ লক্ষ্য উদ্দেশ্যেৰে ২০১৯ চনৰ ২ চেপ্টেম্বৰ তাৰিখে দিব্যাংগ নাট্য বিদ্যালয়ৰ জন্ম দিয়া হৈছিল। আৰু আজি স্কুলৰ ৭ম প্ৰতিষ্ঠা দিৱস। এই অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰে বিশিষ্ট সমাজকৰ্মী, লেখিকা ডঃ সীমা কাশ্যপে, লগতে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক, নাট্যকাৰ মহীধৰ কলিতা, কণ্ঠশিল্পী চন্দন কুমাৰ গোস্বামী আৰু নাট্যকৰ্মী ধীৰাজ কুমাৰ, মধুস্মিতা মহন্ত আদি। অনুষ্ঠানত দিব্যাংগ নাট্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ জয় হাজৰিকাই গীতাৰ বাদন, মাধুৰ্য তালুকদাৰে অভিনয়, ৰিমজিম শইকীয়া, মনালিছা দাস, ইচিতা টুমুং য়ে নৃত্য, আকাশ বুঢ়াগোহাঁই আৰু অংকুশ ঠাকুৰীয়াই যোগা, অৰিন্দম গগৈ আৰু আলদুবে আই আৰ আমিনে গীত পৰিৱেশন কৰে। লগতে ছাত্ৰ ছাত্ৰী সকলৰ অভিভাৱক সকলে পৰিৱেশন কৰে ডঃ ভূপেন হাজৰিকাৰ চিৰযুগমীয়া গীতত সমবেত সংগীত পৰিৱেশন কৰে। এই অনুষ্ঠানতে নাৰী সবলীকৰণৰ ওপৰত গুৰুত্ব দি স্কুলৰ এগৰাকী অভিভাৱিকাক এইবছৰ শ্ৰেষ্ঠ অভিভাৱক সন্মান প্ৰদান কৰা হয়। এই সন্মান কণিকা বুঢ়াগোহাঁইক প্ৰদান কৰা হয়। এই সন্মান প্ৰতি বছৰে প্ৰদান কৰা হ'ব বুলি অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদে জানিবলৈ দিয়ে। শেষত স্কুলৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদে সকলোকে শলাগৰ শৰাই লগতে সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# পলাশবাৰীত সাংবাদিকে

সাংবাদিক পবিত্ৰ কুমাৰ দাসৰ কুকাণ্ডক এতিয়া উপৰহালী ৰাইজ গয়ৰহ তথা দক্ষিণ কামৰূপৰ সাংবাদিক সমাজে গৰিহণা জনাইছে । ঘটনা সন্দৰ্ভত ড° ঠাকুৰীয়াই বিজয়নগৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিও এতিয়ালৈ আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই । উল্লেখযোগ্য যে সাংবাদিক সমাজক কলংকিত কৰা এনে ঘটনাক গৰিহণা দিছে সচেতন মহলে লগতে আৰক্ষীয়ে দোষীক কৰায়ত্ব কৰি উচিত শাস্তি প্ৰদান কৰি শিক্ষাবিদ ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াক ন্যায় দিবলৈ আহ্বান ভুক্তভোগীৰ পৰিয়ালবৰ্গৰ।

# সদৌ কামৰূপ মহানগৰ

শ্বহীদে শ্বহীদ হিচাপে স্থান পালে। এতিয়া শ্বহীদসকলৰ পৰিয়ালক ন্যায্যতা দিব লাগে। তিনিগৰাকী বিদেশীক নাগৰিকত্ব দিবৰ বাবে পাঁচ গৰাকী যুৱকক হত্যা কৰা হ'ল নেকি। ৰাজপথত অসমীয়া বাই ভনীক গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰা হ'ল। ছাত্ৰ সন্থাই আলোচনাৰ নামত আলোচনা নকৰে। কেৱল এইখন চৰকাৰৰ দিনতেই নহয় প্ৰতিখন চৰকাৰৰ দিনত আছুয়ে আলোচনাত বহিছে। আলোচনাৰ বাবে ছাত্ৰ সন্থাৰ দুৱাৰ সদায় খোলা আছে। আলোচনাও কৰি থাকিব, ভোটৰ ওপৰত দানৱ পৰাৰ দৰে এনে আইন জাপি দিব তাৰ বিৰুদ্ধে প্ৰতিবাদো কৰি থাকিব। হীৰেন গোঁহাই চাৰ বিদ্যায়তনিকভাৱে শ্ৰদ্ধাৰ ব্যক্তি। তেওঁৰ বক্তব্যৰ ওপৰত মন্তব্য দিয়াটো উচিত নহয়। পশ্চিম বংগৰ নিৰ্বাচনৰ সময় আহিলেই বিজেপি চৰকাৰৰ কা' লৈ মনত পৰে। সাম্প্ৰদায়িক উত্তেজনা বিৰাজ কৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱাতোৱেই বিজেপিৰ প্ৰধান কাম। আনহাতে, সন্ধিয়া ৫:০০ বজাত পনীয়া আহাৰ গ্ৰহণ কৰি অনশন কাৰ্যসূচী সমাপ্ত কৰে। তাৰ পাছত সন্ধিয়া ৫:১৫ বজাত প্ৰশান্তি উদ্যানৰ মূল প্ৰৱেশ দ্বাৰত প্ৰতিবেদন জুলাই অনশন কাৰ্যসূচী শেষ কৰে।

## ENGLISH NEWS SECTION

# Governor Shri Acharya felicitates senior-most surviving retired primary teacher of Assam in Jorhat




Guwahati,RB News: On the auspicious occasion of teachers' day, Assam Governor Shri Lakshman Prasad Acharya felicitated Shri Rajat Chandra Goswami, a 94-year-old primary school teacher who is also the oldest surviving retired primary school teacher of the State, at his residence at Adhar Satra, Hatigarh in Jorhat. It may be noted that the Governor through an initiative namely 'Assam Governor Varishtha Shikshak Samman' has directed all DCs to make arrangements for honouring the oldest surviving retired primary school teacher in their respective districts on the occasion of Teachers' Day. As part of the initiative, felicitating the senior most surviving retired primary teacher in Jorhat on the occasion, the Governor said, "Shri Goswami is not just a teacher, but a luminary who has immensely contributed to academic landscape of the district administration as well as the state". He said that Shri Goswami through his teaching, shaped countless students who are now serving the society in various capacities. The Governor expressed his happiness for being able to personally felicitate Shri Goswami after visiting the latter's residence. Reiterating the immense role played by the teachers in general, Governor Shri Acharya remarked that the dedication and commitment of the teachers have enabled the nation witness development while preserving and carrying forward its rich intellectual legacy. He underlined that showing respect to teachers has been an integral part of India's heritage and rightfully a tradition of the nation. The Governor moreover , observed that the teachers' contributions are invaluable, and it is the duty of everybody to acknowledge and recognise their role in nation-building. It may be mentioned that the Governor felicitated the nonagenarian with a citation, angavastra, shawl ,garland, Xorai and Japi, Gamosa, Fruit Basket, an umbrella and Dakshina of Rs. 51,000.

## Assam Governor participates in an awareness rally for elimination of TB




Guwahati, RB News: In a significant step towards the vision of a Tuberculosis (TB)-free India, Assam Governor Shri Lakshman Prasad Acharya today participated in an awareness rally held at Cinamora Central Hospital, Jorhat. The event was organized to reinforce public commitment to the national mission of eradicating TB and promoting community engagement in the fight against the disease. As part of the initiative, Governor Acharya personally distributed Nikshay Mitra food kits to 10 TB patients, underscoring the importance of compassionate care and nutritional support in TB recovery. Addressing the gathering, the Governor reiterated the Prime Minister's unwavering vision of building a 'TB Mukt Bharat', stressing that the goal of a Viksit Bharat cannot be achieved without tackling public health challenges like Tuberculosis and substance abuse. He called for a united stand to realize a Nasha Mukt' and 'TB Mukt' India.

## Pakistan to skip ICC Women's World Cup opening ceremony in India



RB News: Pakistan will not participate in ICC Women's World Cup 2025 opening ceremony scheduled to be held in Guwahati on September 30, Pakistani channel Geo Super reported. The decision is reportedly influenced by a recent policy where both nations had agreed not to cross borders for ICC tournaments over the next three years. India-Pakistan match is scheduled for October 5.

## India beat Thailand 11-0 in their women's Hockey Asia Cup opener



RB News: India defeated Thailand 11-0 in their women's Hockey Asia Cup 2025 opener in China's Hangzhou on Friday. Udita Duhan scored in the 30th and 52nd minutes from penalty corners, while Beauty Dung Dung struck in the 45th and 54th minutes. India's other goal-scorers were Mumtaz Khan, Sangita Kumari, Navneet Kaur, Lalremsiami, Thoudam Suman Devi, Sharmila Devi and Rutaja Dadaso Pisal.

## Yastika Bhatia ruled out of World Cup



RB News: India's wicketkeeper-batter Yastika Bhatia has been ruled out of the upcoming ODI series against Australia and the ICC Women's Cricket World Cup 2025 due to a knee injury. The BCCI has named Uma Chetry as her replacement, a decision that also means another snub for Shafali Verma in the 50-over format.

## India vs Afghanistan ends in goalless draw in CAFA Nations Cup



RB News: India's match against Afghanistan in the CAFA Nations Cup 2025 ended in a goalless draw. Both sides tried their best to score a goal, but were unable to do so, due to the solid defensive performance. India's fate in the remainder of the tournament will depend on Tajikistan's performance against Iran.

# কহুঁৱা ফুলাৰ বতৰ

বিশ্বজিৎ বৈশ্য
বংশৰ, শুৱালকুছি

আমাৰ শ্ৰদ্ধাৰ, ড° ভূপেন হাজৰিকাই গাই যোৱা সেই গীতটো, "কহুঁৱা বন মোৰ অশান্ত মন ! আলফুল হাতেৰে লোৱা সাবতি" সেই গীতটো এইটো সময়ত আমাৰ মনলৈ বৰকৈ আহে। প্ৰকৃতিৰ এই অনন্য কহুঁৱাবোৰ যেন স্বাভাৱিকভাৱেই গজি উঠে নৈ, জান, বিলৰ পাৰত। গীতৰ মাজৰে কহুঁৱা বনে আনে শৰতৰ সেই মধুৰ আৱেগসনা পৰিৱেশৰ মাদকতা । কবলৈ গলে, কহুঁৱাৰ কিন্তু কোনো ব্যৱহাৰিক প্ৰয়োজন নাই। কহুঁৱা দেখিলেই আমাৰ মনবোৰ বতাহৰ ভাজে ভাজে নাচি উঠে। নাচি থকা কহুঁৱাবোৰ নিজেই হৈ পৰে আপোন পাহৰা। অৱশেষত শৰতৰ বতাহজাকে কহুঁৱাক লৈ ফুৰে উৰুৱাই। নিৰ্মল আকাশৰ তলত শুভ্ৰ ৰং চটিয়াই কহুঁৱাই জোনাকক হাত বাউল দি মাতে। আলসুৱা বতাহৰ পৰশত কহুঁৱাই প্ৰকৃতিৰ নানা ৰংৰ সৃষ্টিৰ এক প্ৰেৰণা। একেদৰে, মায়াময় নৈসৰ্গিক সেই প্ৰকৃতিয়ে সাধাৰণ লোকৰ পৰা শিল্পী, সাহিত্যিক সকলোকে যুগ যুগান্তৰ ধৰি আকৰ্ষণ কৰি আহিছে কহুঁৱাৰ সেই নিজস্ব পৰিচয়েৰে। এয়াই প্ৰকৃতিৰ মায়া।






ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286